অধ্যায় ১১ ঃ বেণুধৰ শর্মা ঃ 'মণিৰাম দেৱানৰ ফাঁচী'

অধ্যায় গাঁথনি

11.1 উদ্দেশ্য

11.2 পৰিচয়

11.3 বেণুধৰ শর্মা

- 11.3.1 জীৱন আৰু ব্যক্তিত্ব
- 11.3.2 বেণুধৰ শর্মাৰ সাহিত্য চর্চা
- 11.3.3 *মণিৰাম দেৱান*

11.4 মূল পাঠৰ বিষয়বস্তু

- 11.4.1 অসমত স্বাধীনতাৰ ৰণ আৰু মণিৰামৰ ভূমিকা
- 11.4.2 বৃটিছে কৰা বিচাৰ
- 11.4.3 মণিৰামৰ প্রতিক্রিয়া
- 11.4.4 ফাঁচীৰ প্রস্তুতি আৰু সমাপন
- 11.4.5 মণিৰামৰ মৃত্যুৰ প্রভাৱ

11.5 বেণুধৰ শর্মাৰ গদ্যৰীতি

11.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

11.7 অধিক জানিবলৈ

11.8 অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

11.9 আর্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বেণুধৰ শর্মাৰ জীৱন আৰু সাহিত্য সম্ভাৰৰ বিষয়ে জানিব পাৰিব
- বেণুধৰ শর্মাৰ সাহিত্যসমূহৰ প্রকৃতিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- মণিৰাম দেৱানৰ জীৱন আৰু স্বদেশপ্রেমৰ বিষয়ে বিস্তৃতভাৱে জানিব পাৰিব
- বৃটিছে অসমৰ মানুহক কৰা অন্যায়-অত্যাচাৰৰ-অবিচাৰৰ ৰূপ আলোচনা কৰিব পাৰিব
- বৃটিছৰ ফাঁচী ব্যৱস্থাটোৰ বিষয়ে জানিব পাৰিব
- বেণুধৰ শর্মাৰ গদ্যৰীতিৰ বৈশিষ্টসমূহ বিশ্লেষণ কৰিব পাৰিব।

১১.২ পৰিচয়

'মণিৰাম দেৱানৰ ফাঁচী' প্রবন্ধটো এই পাঠ্যবিষয়ৰ অন্তর্গত একাদশ অধ্যায়। বেণুধৰ শর্মাৰ *মণিৰাম দেৱান* গ্রন্থখনত প্রবন্ধটো সন্নিৱিষ্ট হৈছে। পুথিখনৰ পঞ্চদশ অধ্যায়টো হৈছে

'দেৱানৰ গ্রেপ্তাৰ, বিচাৰ আৰু ফাঁচী'। ইয়াত দেৱানৰ বিৰুদ্ধে বৃটিছে কৰা ষড়যন্ত্র, দেৱানৰ বৃটিছবিৰোধী পৰিকল্পনা আৰু কার্য আদিৰ বিস্তৃত আলোচনা আছে।এই প্রবন্ধটোৰে এটা অংশ মহেশ্বৰ নেওগে সম্পাদনা কৰা 'স্নাতকৰ কথাবন্ধ' পুথিত 'মণিৰাম দেৱানৰ ফাঁচী' হিচাপে তেওঁ সন্নিৱিষ্ট কৰিছে। এই ক্ষেত্রত 'স্নাতকৰ কথাবন্ধ'ৰ সম্পাদকে সম্পাদনা কৰি বাক্যৰ সলনি কৰিছে আৰু মাজৰ কোনো অংশ এৰি প্রবন্ধটো গঠন কৰিছে। মণিৰাম দেৱান, পিয়ালী বৰুৱা আৰু লগৰীয়াকেইজনমানৰ বিৰুদ্ধে বৃটিছে কৰা বিচাৰ, মণিৰামক বন্দী কৰি আলিপুৰ জেলত ৰখা, অসমলৈ পঠোৱা আদি কথাসমূহ প্রবন্ধটোত আছে যদিও প্রধানকৈ মণিৰাম-পিয়ালীৰ ফাঁচীৰ বাবে বৃটিছ চাহাবে চলোৱা প্রস্তুতি আৰু দুয়োৰে জীৱনৰ শেষ দিনটোৰ ফাঁচীৰ মুহূর্তৰ ঘটনাসমূহহে বিস্তৃতভাৱে প্রবন্ধটোত সন্নিৱিষ্ট হৈছে। দেৱানৰ মৃত্যুৰ পিছত অসমৰ সমাজ আৰু প্রকৃতিত পৰা প্রভাৱৰ আভাসো প্রবন্ধটোত পোৱা যায়।

১১.৩ বেণুধৰ শর্মা

১১.৩.১ জীৱন আৰু ব্যক্তিত্ব

1899 চনত, চাৰিঙত বেণুধৰ শর্মাৰ জন্ম হৈছিল। তেওঁৰ দেউতাক আছিল ডিম্বেশ্বৰ শর্মা আৰু মাক আছিল তুলসী দেৱী। প্রাইমেৰী পৰীক্ষাত উত্তীর্ণ হোৱাৰ পিছত তেওঁ শিৱসাগৰ চৰকাৰী হাইস্কুলত নাম লগায়। সেই বিদ্যালয়খনৰ শিক্ষকসকলৰ আদর্শ তেওঁৰ জীৱনৰ বাবে বিশেষ অনুপ্রেৰণা হোৱাৰ লগতে জীৱন গঢ়াত অৰিহণা যোগাইছিল।ছাত্র অৱস্থাতে তেওঁ ভগৱতী প্রসাদ বৰুৱাৰ সৈতে লগ হৈ 1914 চনত *জেউতি*নামৰ আলোচনী সম্পাদনা কৰি উলিয়ায়। সেই সময়ৰ শিৱসাগৰৰ পৰিৱেশে শর্মাৰ মনত তেতিয়াই সাহিত্য চর্চাৰ বীজ সিঁচি দিয়ে। বাল্যাশ্রম, ছাত্রসভাৰ অধিবেশন আদিত তেওঁ তেতিয়াই গল্প, কবিতা, প্রবন্ধ লিখি পাঠ কৰিছিল। ছাত্র-ছাত্রীৰ মানসিক উৎকর্ষ সাধনৰ উদ্দেশ্যে পদ্মধৰ চলিহাই স্থাপন কৰা 'বিমলালয় সভা'য়ো বেণুধৰ শর্মাৰ মানসিক পৰিপুষ্টি আৰু উত্তৰণত সহায় কৰিছিল। 1914 চনত প্রৱেশিকা পৰীক্ষাত সুখ্যাতিৰে উত্তীর্ণ হোৱাৰ পিছত তেওঁ অলপদিন শিক্ষকতা কৰে। পিছত কলিকতালৈ গৈ বঙ্গবাসী কলেজত নাম লগায়।কিন্তু তাত তেওঁ কেৱল অধ্যয়নতে সীমাবদ্ধ হৈ নাথাকি এ.এছ.এল. ক্লাব, ছাত্র সন্মিলন আদিৰ কামত জড়িত হৈ পৰে। কলিকতাত থকা অৱস্থাতে তেওঁ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাকো লগ পায়। কলিকতাত থকা অসমীয়া ছাত্রসমাজৰ মাজত অধ্যয়ন আৰু সাহিত্য চর্চাৰ যি জাগৰণ হৈছিল বেণুধৰ শর্মাকো সেই জাগৰণে প্রভাৱিত কৰে। কিন্তু 1920 চনত মহাত্মা গান্ধীৰ আদর্শ আৰু ভাষণৰ দ্বাৰা প্রভাৱিত হৈ বি.এ. পৰীক্ষা নিদিয়াকৈ শিক্ষা জীৱন সিমানতে সামৰি বেণুধৰ শর্মা অসমলৈ উলটি আহে।

সেইসময়ত সমগ্র দেশতে দেশ উদ্ধাৰৰ বাবে কৰা সংগ্রামে ব্যাপক ৰূপ লৈছিল আৰু অসমতো সেই সংগ্রামৰ জুই জলি উঠিছিল। বেণুধৰ শর্মাই অসমলৈ আহি পূর্ণ উদ্যমেৰে স্বাধীনতা সংগ্রামত লাগে। সেইসময়ত তেওঁৰ জন্ম গাঁও চাৰিং এই বিপ্লৱৰ এটা প্রধান কেন্দ্র আছিল। অসমত গঢ় লোৱা স্বাধীনতা আন্দেলনৰ প্রথম শ্বহীদ মণিৰাম দেৱানৰ ঘৰো আছিল চাৰিঙতে। দেৱানৰ জীৱন আৰু আদর্শৰ দ্বাৰা বেণুধৰ শর্মা গভীৰভাৱে প্রভাৱিত হয়। সেয়েহে কিছুদিনৰ বাবে শর্মাই জাজী হাইস্কুলত শিক্ষকতা কৰিলেও তেওঁৰ মূল লক্ষ্য আৰু মূল কাম আছিল অসহযোগ আন্দেলনৰ কাম কৰাহে। সেইবাবেই তেওঁ জেললৈ যাব লগা হয় আৰু কেইমাহ মানৰ পিছত মুক্তি লাভ কৰে। পুনৰ কংগ্রেছৰ কামত লাগে আৰু 1925 চনত তেওঁ প্রদেশ কংগ্রেছৰ সদস্য নির্বাচিত হয়। অৱশ্যে পৰৱর্তী সময়ত তেওঁ কংগ্রেছ ত্যাগ কৰি 'ঘৰফলীয়া কংগ্রেছ' নামে এটা সমান্তৰাল অনুষ্ঠান গঠন কৰে।

বেণুধৰ শর্মাই বাতৰিকাকত আলোচনীৰ সম্পাদক হিচাপেও কাম কৰিছিল। নীলমণি ফুকনৰ সম্পাদনাত ওলোৱা *বাতৰি* তেওঁ সহকাৰী সম্পাদক আছিল আৰু *তৰুণ অসম* কাকতৰ সম্পাদকৰ দায়িত্বও লৈছিল। তেওঁৰ সাংবাদিকতাৰ এই জীৱন মসৃণ নাছিল। সাংবাদিকৰ থাকিব লগা সত্যনিষ্ঠ আৰু অনুসন্ধিৎসু গুণ বেণুধৰ শর্মাৰ সম্পূর্ণভাৱে আছিল। কিন্তু সাংবাদিকতাৰ জৰিয়তেও সততে তেওঁ কৰাৰ দৰে অসমীয়া ভাষাৰ নিকা ৰূপ প্রতিষ্ঠাৰ বাবেহে অহৰহ যত্ন কৰিছিল। তদুপৰি *আচাম বিভিউ* কাকতত তেওঁ ইংৰাজী প্রবন্ধ লিখিছিল।

বুৰঞ্জীৰ উৎস বিচাৰি ফুৰা আৰু সাহিত্য সেৱাই আছিল বেণুধৰ শর্মাৰ জীৱনৰ ব্রত। বিভিন্ন সমস্যাত পৰি সাহিত্যৰ পৰা কেতিয়াবা আঁতৰি থাকিব লগা হ'লেও তেওঁ সেয়েহে পুনৰ সাহিত্যলৈ ঘূৰি আহে আৰু মন-প্রাণ সপি অশেষ কষ্টৰে বুৰঞ্জীৰ তথ্য উদ্ধাৰ আৰু প্রবন্ধ ৰচনাত লাগে। বিভিন্ন ঠাইৰ পুৰণি ঐতিহ্য, তথ্য, পুৰণি পুথি আদিৰ অনুসন্ধান আৰু উদ্ধাৰৰ বাবে তেওঁ অহোপুৰুষার্থ কৰিছিল। অতীতৰ প্রতি তেওঁ প্রচুৰভাৱে শ্রদ্ধাশীল। সেয়েহে অতীতৰ বীৰ-বীৰাঙ্গনাসকলৰ জীৱনৰ ত্যাগ, কঠোৰ আদর্শ আদি পোহৰলৈ আনি সেইসকলৰ আদর্শৰ দ্বাৰা দেশৰ বর্তমান আৰু ভৱিষ্যতৰ ভেটি বন্ধাই আছিল বেণুধৰ শর্মাৰ উদ্দেশ্য। সেয়েহে নিজেই ঘূৰি ঘূৰি বিভিন্ন ঠাইলৈ গৈ এনেবোৰ ব্যক্তিৰ জীৱনৰ তথ্য সংগ্রহ কৰে। বুৰঞ্জীমূলক কিবা এটা কথাৰ অকণমান উহ পালেই বিচাৰি-খোচাৰি তাৰ সন্ধান উলিওৱাত লাগে আৰু আন্ধাৰ গহ্বৰৰ পৰা তাৰ তথ্য উদ্ধাৰ নকৰালৈকে তেওঁ ক্ষান্ত নহয়। প্রকৃতার্তত অসমৰ অতীত খান্দি হেৰাই যোৱা ইতিহাস উদ্ধাৰ কৰাটো তেওঁৰ জীৱনৰ এক ঐকান্তিক ব্রত। বেণুধৰ শর্মাক যদি কোনোবাই ঘৰ ক'ত বুলি সুধিছিল তেওঁ উত্তৰ দিছিল যে গুৰি চাৰিঙত, —হেডালিখন গোটেই অসমত। এই কথাৰ পৰাই তেওঁৰ জীৱনাদর্শ আৰু অসমপ্রীতিৰ ৰূপ কেনে ধৰণৰ সেয়া অনুভৱ কৰিব পাৰি। বাগ্মীবৰ নীলমণি ফুকনে বেণুধৰ শর্মাৰ জীৱন আৰু

ব্যক্তিত্ব সম্পর্কত কৈছিল, "বেণুধৰ শর্মা হাড়ে-হিমজুৰে, খোজে-কাটলে, সাজে-পাৰে, খোৱাই বোৱাই, ৰঙে-ৰহস্যই, কথোপকথনে তালুৰ পৰা তলুৱালৈকে অসমীয়া। অসমৰ সন্ধিক্ষণত, যতেই অসমৰ স্বার্থত বাগীকুঠাৰ পৰে, যতেই অসম জননীক হেয় প্রতিপন্ন কৰিবলৈ অপচেষ্টা চলে—ত'তেই বেণুধৰ শর্মা উপস্থিত।" প্রখৰ জাতীয়তাবোধ সম্পন্ন আৰু স্বদেশ প্রেমী ব্যক্তি আছিল বেণুধৰ শর্মা।অসমৰ ইমূৰৰপৰা সিমূৰলৈ তেওঁ ঘূৰিছিল। সকলো সময়তে তেওঁ এটা অনুসন্ধিৎসু মন লৈ ফুৰিছিল আৰু য'লৈকে গৈছিল সেই ঠাইৰ পৰাই ইতিহাসৰ সমল বুটলিবলৈ যত্ন কৰিছিল। বেণুধৰ শর্মা আছিল গার্ডিনাৰ, গিবন বা মেকলেৰ শাৰীৰ বুৰঞ্জীবিদ। বুৰঞ্জীমূলক বিষয় একোটাক তেওঁলোকে সৰসভাৰে সাহিত্যৰ ৰূপ দিয়ে। এয়াই তেওঁলোকৰ সাহিত্যৰ বৈশিষ্ট্য। বুৰঞ্জীৰ নীৰস ঘটনা বা তথ্যও বেণুধৰ শর্মাৰ হাতত প্রাণৱন্ত হৈ উঠে। বেণুধৰ শর্মাৰ ব্যক্তিত্বৰ এনেবোৰ গুণৰ কাৰণেই হীৰেন গোহাঁয়ে কৈছে, "আমাৰ বাবে বেণুধৰ শর্মা আছিল অতীত পোহৰাই তোলা ঐতিহাসিক। অসমীয়া বুলি গৌৰৰ অনুভৱ কৰিবলৈ তেওঁৰ দৰে মানুহৰ পৰাই শিকিছিলোঁ।"

1957 চনত অসম সাহিত্য সভাৰ ধুবুৰী অধিবেশনৰ তেওঁ সভাপতি আছিল। সাহিত্য সভাৰ শিলং অধিবেশনৰ তেওঁ বুৰঞ্জী শাখাৰ সভাপতিত্বও কৰিছিল। সাংবাদিক, সাহিত্যিক, বুৰঞ্জীবিদ, অসমৰ কীর্তি আৰু ঐতিহ্যৰ প্রচাৰক, অসমীয়া নিভাজ ভাষাৰ সাধক বেণুধৰ শর্মাৰ 1981 চনত দেহাৱসান ঘটে।



জানি থোৱা ভাল

- বুৰঞ্জীৰ উৎস বিচাৰি ফুৰা আৰু সাহিত্যসেৱাই আছিল বেণুধৰ শর্মাৰ জীৱনৰ ব্রত।
- 'ঘৰফলীয়া কংগ্রেছ' বেণুধৰ শর্মাই প্রতিষ্ঠা কৰিছিল।

১১.৩.২ বেণুধৰ শর্মাৰ সাহিত্য চর্চা

অসমীয়া সাহিত্যক সবল, বৈচিত্র্যময় কৰা সাহিত্যিকসকলৰ ভিতৰত অন্যতম হ'ল বেণুধৰ শর্মা। কলিকতাত পঢ়ি থকা সময়তে গোৱালপাৰাৰ গিৰীন্দ্রনাথৰ সৈতে লগ হৈ ডেনিয়েল ডিফ'ৰ *ৰবিঞ্চন ক্রুছ* গ্রন্থখন অসমীয়ালৈ অনুবাদ কৰে। এইখনেই তেওঁৰ প্রথম ছপা পুথি।

শিশু সাহিত্য, জীৱনী সাহিত্য আৰু ঐতিহাসিক তথ্যসমৃদ্ধ প্রবন্ধ ৰচনাৰে তেওঁ অসমীয়া সাহিত্যৰ পৰিপুষ্টিত যথেষ্ট অৰিহণা যোগাইছে। তেওঁৰ অনন্য প্রতিভাৰ উমান দিয়া গদ্য ৰচনাসমূহক প্রধানকৈ দুটা শ্রেণীত বিভক্ত কৰি দেখুৱাব পাৰি। প্রথম, গহীন প্রবন্ধ আৰু দ্বিতীয় শিশু সাহিত্য আৰু অন্যান্য গদ্য। প্রথম শ্রেণীটোত পৰে

ঐতিহাসিক প্ৰবন্ধ, জীৱনী সাহিত্য, সম্পাদকীয়, ভাষণাৱলী আৰু গহীন বিষয়ক লৈ ৰচনা কৰা অন্যান্য গদ্যসমূহ। দ্বিতীয় শ্ৰেণীটোত পৰে শিশু সাহিত্য, ব্যঙ্গ ৰচনা, চুটিগল্প আৰু তেওঁৰ আত্মজীৱনীখনি। অসমীয়া ভাষাত লিখা তেওঁৰ এই দুই শ্ৰেণীৰে ৰচনাৰাজি হ'ল—

- **গহীন প্ৰবন্ধ ঃ** মণিৰাম দেৱান, সাতাৱন ছাল বা স্বাধীনতাৰ প্ৰথম যুদ্ধ, দূৰবীণ, কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত, অর্ঘ্যাৱলী, দুণৰি, দক্ষিণপাট সত্ৰ, ফুল-চন্দন, অসমীয়া সাহিত্যৰ পৰমাচার্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী, হেমচন্দ্ৰ গোস্বামীৰ ৰচনাৱলী, গঙ্গাগোবিন্দ ফুকন, বিহুৰ ভোগজৰা, বেজদলৈ ভণ্ডাৰী বৰুৱাৰ ইতিবৃত্ত, অসম-বুৰঞ্জীৰ বাট-চ'ৰা, ঠাই নামৰ বুৰঞ্জী, পটন্তৰৰ পর্বতীত বুৰঞ্জীৰ আঁক, জিলমিল, ফার্চী সাহিত্যত অসম-বুৰঞ্জী, গোবিন্দ বেজবৰুৱা, মৰমৰ কাৰেং (যীছুখ্ৰীষ্টৰ জীৱনী), অসম সাহিত্য সভাৰ বুৰঞ্জী-শাখাৰ অভিভাষণ, অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ।
- **শিশু সাহিত্য আৰু অন্যান্য গদ্য ঃ** ৰাংপতা, লাতুমণি, মঙ্গঁলতিৰ কণ্ঠীমালা (অনুবাদ), ৰবিন্সন ক্ৰুছ (অনুবাদ), জৱাহৰলাল নেহেৰুৰ আত্মজীৱনী, মৰমৰ কাৰেং (চুটিগল্প), চটাই চ'ৰাৰ কথা (ব্যঙ্গৰচনা), সীমান্ত কেশৰী আব্দুল গফুৰ খাঁ, মজিয়াৰ পৰা মেজলৈ (আত্মজীৱনী), টোপানীতি, বঙ্গমুৰা নৌযাত্ৰাৰ আপদীয়া কাহিনী।

বিভিন্ন শ্ৰেণীৰ সাহিত্য ৰচনা কৰিলেও শর্মাৰ সাহিত্য সৃষ্টিৰ মূল প্ৰেৰণা আছিল ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা আৰু ইতিহাসপ্ৰীতি। ইতিহাসৰ সত্য উদঘাটন কৰি তাৰ নির্মোহ, যুক্তিপূর্ণ ব্যাখ্যা-বিশ্লেষণেৰে জনসাধাৰণৰ সন্মুখত দেশ, ব্যক্তি আৰু সমাজৰ প্ৰকৃত ৰূপ দাঙি ধৰিএইবোৰৰ প্ৰতি প্ৰতিজন অসমীয়াকে সচেতন কৰি তোলাই আছিল তেওঁৰ সাহিত্য চর্চাৰ প্ৰধান উদ্দেশ্য। সেয়েহে উৎকৃষ্ট মানৰ শিশু-সাহিত্য, জীৱনী-সাহিত্য আদি ৰচনা কৰিলেও তেওঁৰ ঐতিহাসিক বিষয়বস্তুক লৈ ৰচিত সাহিত্যসমূহ অধিক বিশেষত্বপূর্ণ আৰু সেইসমূহেই শর্মাক কথাশিল্পী ৰূপে উচ্চ স্থানত উপৰিষ্ট কৰিছে।

বেণুধৰ শর্মাৰ সাহিত্যসমূহৰ ভিতৰত *কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত* এখন উল্লেখযোগ্য পুথি। 1959 চনত ৰচনা কৰা এই গ্ৰন্থখন আক্ষৰিক অর্থত একে আষাৰে ক'ব পৰা বুৰঞ্জী নহয়। গ্ৰন্থখনৰ পাতনিত লিখকে নিজেই কৈছে যে— এইখন বুৰঞ্জী নহয়। কাৰণ ইয়াত বুৰঞ্জীৰ বৈশিষ্ট্য মানি সময়ৰ ক্ৰম ৰক্ষা কৰি হুবহু কথাবোৰ লিপিবদ্ধ কৰা নাই। আনহাতে ই কল্পনাৰ মায়াজালেৰে ৰচনা কৰা গল্প-উপন্যাসো নহয়। 1921 চনত ভাৰতৰ জাতীয় কংগ্ৰেছৰ প্ৰভাৱ আহি অসম পোৱাৰ পিছত অসমত কেনে ধৰণৰ কার্য হৈছিল বা ইয়াত কি কি ঘটিছিল, অসমৰ সাধাৰণ ৰাইজৰ মনত ভাবৰ কেনে হেন্দোলনি উঠিছিল সেইসমূহৰে বিৱৰণ হ'ল— *কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত* পুথিখন। যোৰহাটত মহাত্মাৰ প্ৰথম পদার্পণ, যোৰহাটত কংগ্ৰেছ খিলাফটৰ কাম, শিৱসাগৰত অসহযোগৰ ফণা, চাৰিং কংগ্ৰেছ, চাৰিঙৰ পৰিস্থিতি,অসহযোগৰ পুৰস্কাৰ, শিৱসাগৰ

জেলত, চাৰিং-শলগুৰি ৰায়ত সভা, স্বৰাজ লাভৰ নতুন পথ আদি শিৰোনাম দি তেওঁ সেইসময়ত ঘটা বিভিন্ন ঘটনা আৰু পৰিবেশৰ বর্ণনা আগবঢ়াইছে। 1960 চনত এই পুথিখনৰ বাবে বেণুধৰ শর্মাই সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল।

দূৰবীণ বেণুধৰ শর্মাৰ আন এখন গুৰুত্বপূর্ণ পুথি। ইয়াত বৰবৰুৱা মোমাই-তামুলী, বঙাল-বৈৰী লাচিত বৰফুকন, পোন-প্রথম স্বাধীনতাৰ যুদ্ধ, অসমত ফি�ৰিঙী আদিকৈ ভালেকেইটা গুৰুত্বপূর্ণ প্রবন্ধ সন্নিৰিষ্ট হৈছে। *দূৰবীণৰ* প্রবন্ধই বুৰঞ্জীৰ ঘটনাক নতুন যুক্তি আৰু দৃষ্টিভঙ্গীৰে চাবলৈ শিকালে। 'দেশদ্রোহী কোন— বদন নে পূর্ণানন্দ?' প্রবন্ধৰ জৰিয়তে বদন-পূর্ণানন্দ সম্পর্কীয় পূর্বধাৰণাক সলনি কৰি নতুন চিন্তাৰ বাট মুকলি কৰি দিলে।

বেণুধৰ শর্মাৰ *বুৰঞ্জীৰ সঁফুৰা* অসমৰ বুৰঞ্জীৰ ভঁৰাল। শদিয়াৰ পৰা ধুবুৰীলৈ চুকে-কোণে বুৰঞ্জী খেদি ফুৰা বেণুধৰ শর্মাই অসমৰ ইতিহাসৰ বিভিন্ন গুৰুত্বপূর্ণ ঘটনা, ব্যক্তি আদিৰ উপৰিও সমাজ, সাহিত্য, সংস্কৃতিৰ কেইবাটাও আলোচনা ইয়াত আগবঢ়াইছে। বৰবৰুৱা মোমাই তামুলী, কছাৰী স্বাধীনতাৰ ৰান্ধনী বেলিত, গুৱালপাৰৰ বুৰঞ্জী চ'ৰাত, দৰঙ্গী ৰাজবংশীয় সংস্কৃতি, সোতৰ শতিকাৰ অসমীয়া সমাজ, অসমীয়া ভাষাৰ গোৱৰ্দ্ধনধাৰী আনন্দৰাম ঢেঁকীয়াল ফুকন, অসমীয়া সংস্কৃতিত চুতীয়াৰ ছাপ, অসমীয়া ৰামায়ণ কোনে কৰালে, প্রাচীন অসমৰ পৰিবহন মাধ্যম, দেউৰী সংস্কৃতি, অসমৰ থল-পর্বতী দুই নহয় এক, বুৰঞ্জীৰ অপযশঃ জয়দুৱাৰৰ ঐতিহ্য আদি প্রবন্ধৰ শিৰোনামসমূহৰ পৰাই পুথিখনৰ ৰূপ আৰু গুৰুত্ব উপলব্ধি কৰিব পাৰি।

চন্দন চ'ৰা বেণুধৰ শর্মাৰ আন এখন উল্লেখযোগ্য পুথি। আন বিষয়ৰ কেইটামান প্রবন্ধও আছে যদিও মূলতঃ অসম গঢ়াত যিসকল ব্যক্তিৰ বিশেষ অৰিহণা আছিল সেইসকলৰ কথা ইয়াত সন্নিৰিষ্ট হৈছে। মাধৱদেৱ, বেজবৰুৱাৰ পৰা ধৰি ৰায়বাহাদুৰ দেৰীচৰণ বৰুৱালৈকে বিভিন্নজনৰ জীৱন কাহিনী শর্মাই আকর্ষণীয়ভাবে নিজস্ব দৃষ্টিভঙ্গীৰে ইয়াত লিপিবদ্ধ কৰিছে।

মজিয়াৰ পৰা মেজলৈ বেণুধৰ শর্মাৰ আত্মজীৱনী হ'লেও ইয়াত অসমৰ বুৰঞ্জীহে অধিক সন্নিৰিষ্ট হৈছে। নিজৰ কীর্তি-কাহিনীৰ যশ গাবলৈ ৰচনা কৰা আত্মজীৱনী এইখন নহয়। তেওঁৰ *অর্ঘাৱলী* ব্যক্তিৰ জীৱনকেন্দ্রিকপুথি হ'লেও এইখনো প্রকৃতার্থত অসমৰ বুৰঞ্জী। বেণুধৰ শর্মাৰ *দক্ষিণপাট সত্র* নামৰ গ্রন্থখন অসমৰ সংস্কৃতিৰ দিশৰ পৰা এখন গুৰুত্বপূর্ণ পুথি। অসমৰ সংস্কৃতিৰ অনন্য সম্পদ সত্রসমূহৰ বিষয়ে লিখা গ্রন্থ এইখনেই প্রথম।

ৰাংপতা আৰু লাতুমণিৰ সাধুবোৰ শিশু-কিশোৰৰ মন যোগাব পৰা অতি সুন্দৰ। কিন্তু শিশু সাহিত্যতো বুৰঞ্জীকাৰ বেণুধৰ শর্মাজনে ভূমুকি নমৰাকৈ থকা নাই। জয়মতীৰ কাহিনী, ফুলমতী কুৱঁৰীৰ কাহিনী, শিৱসাগৰৰ ঐতিহ্যৰ কাহিনী আদি সাধুৰ চলেৰে ইয়াতো তেওঁ অন্তর্ভুক্ত কৰিছে।

বেণুধৰ শর্মাৰ আনবোৰ পুথিও তেওঁৰ প্রখৰ ইতিহাস চেতনা, স্বদেশপ্রেম আৰু সৃজনীশক্তিৰ পৰিচায়ক। তেওঁৰ গ্রন্থসমূহে বুৰঞ্জীৰ নীৰস তথ্য আৰু ঘটনাকো সাহিত্যৰ ৰূপ দি অসমীয়া সাহিত্যত এটা একক ধাৰা প্রতিষ্ঠা কৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বেণুধৰ শর্মাৰ জীৱন আৰু ব্যক্তিত্বৰ বিষয়ে এটি প্রবন্ধ লিখক। (200টা শব্দৰ ভিতৰত)

১১.৩.৩ *মণিৰাম দেৱান*

বেণুধৰ শর্মাৰ জীৱনৰ কীর্তিস্তম্ভ স্বৰূপ *মণিৰাম দেৱান* অসমীয়া বুৰঞ্জীমূলক সাহিত্যৰ এখন আপুৰুগীয়া পুথি। মণিৰাম দেৱানৰ বিদ্রোহী সত্তাক পোনপ্রথম বেণুধৰ শর্মায়েইপুথিখনৰজৰিয়তে অসমত সুপ্রতিষ্ঠিত কৰিলে।পুথিখন লিখকৰ 30 বছৰজোৰা সাধনা আৰু কষ্টৰ ফল। মণিৰাম দেৱানৰ বিষয়ে তথ্য গোটাবলৈ তেওঁ গোটেই অসম ভ্রমি অনেক কষ্ট কৰিব লগা হৈছিল। এই প্রসঙ্গত লিখকে নিজেই কৈছে— "দেৱানৰ স্মৃতিটো এতিয়াও সেউজীয়া হৈয়ে আছে। কিন্তু, তেওঁৰ চলন-ফুৰণ, স্বভাৱ-চৰিত্র, কার্য্যকলাপ আৰু গতিগোত্রৰ কথাবোৰ ইমান পুৰণি হৈ গ'ল যে তাৰে কিছুমান বৃটিছ -চৰকাৰৰ নিগ্রহত পৰি মানুহে একেবাৰেই পাহৰি পেলালে আৰু কিছুমান তেনেই কৰ্ক্কীয়া মাৰিলে। এনে স্থলত, সেইবোৰ উদ্ধাৰ কৰিবলৈ যোৱাটো যে কিমান টান কাম, তাক লুইতে বঠাৰ কোব জনা দৰে জনাজনেহে জানে।" এই গ্রন্থখন সম্পর্কত নলিনীধৰ ভট্টাচার্য্যই কৈছিল— "ইতিহাস কেৱল লুপ্ত তপোবনৰ স্তৱ নহয়।তাৰ পম খেদিবলৈ লাগে সূক্ষ্ম দৃষ্টি, ধৈর্য্য আৰু কষ্টসহিষ্ণুতা। শর্মাৰ এনেবোৰ গুণ আছে, 'মণিৰাম দেৱান' তাৰ প্রমাণ।" জ্ঞানপীঠ বিজয়ী বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যই কৈছিল— "লক্ষ্মীনাথ বেজবৰুৱাই যিদৰে শঙ্কৰদেৱক পোহৰলৈ আনি আমাকজাতীয় সাহিত্য-সংস্কৃতিৰ প্রতি শ্রদ্ধাবান হ'বলৈ শিকালে, অসহযোগী বেণুধৰেও ন গাঁৱলীয়া হৈ চাৰিঙত স্বাধীনতা আন্দোলনৰ কাম কৰি ফুৰোতে মণিৰাম দেৱানক আন্দোলনৰ এজন শ্বহীদ ৰূপে আৰিষ্কাৰ কৰিলে।"

শর্মাৰ *মণিৰাম দেৱান* এখন জীৱনী। কিন্তু দেৱানৰ জীৱন কাহিনীৰ সমানে দেশৰ ৰাজনৈতিক আৰু সামাজিক অৱস্থাৰ লগতে অর্থনৈতিক দিশবোৰ অনেক কথা এই পুথিখনত পোৱা যায়। বৃটিছৰ শাসন-শোষণত চেপা খাই দুৰৱস্থাত পৰা অসমীয়াসকলে যেতিয়া দেশ স্বাধীন কৰাৰ উদ্দেশ্যে আন্দোলন, বিপ্লৱ কৰাত লাগিল 1857 চনত হোৱা এই সশস্ত্র বিপ্লৱকে স্বাধীনতাৰ প্রথম যুদ্ধ বুলি কোৱা হয়। অসমত সেইসময়ৰ ইংৰাজ চাহাবৰ চকুৰ কুটা হৈ পৰে মণিৰাম আৰু পিয়ালী। অৱশেষত বিচাৰৰ

ভেকোভাওনা পাতি তেওঁলোক দুয়োজনেকে পৃথিৱীৰ পৰা বিদায় দিহে বৃটিছ শাসক ক্ষান্ত হ'ল।দেৱানৰ এই জীৱনকাহিনীকে বেণুধৰ শর্মাই আবেগ, অনুভূতি আৰু যুক্তিৰ মিশ্রণ কৰি সুন্দৰকৈ পুথিখনত এফালৰ পৰা লিপিবদ্ধ কৰিছে। ব্যক্তিত্বৰ স্বৰূপ, উপৰিপুৰুষৰ ইতিবৃত্ত, জন্ম আৰু ল'ৰাকাল, মান খেদোৱা অভিযানৰ সাৰথি হোৱাত, চিংফৌ-চেৰাপুঞ্জী গমন আৰু দেশপাতন, নবীন চাহাবৰ আমোলত, পুৰন্দৰ সিংহৰ আমোলত বৰভণ্ডাৰ বৰুৱা বা মন্ত্রী, মণিৰামৰ কলিকতা-যাত্রা আৰু আসাম কোম্পানীৰ দেৱান হোৱা, 'আসাম কোম্পানী' আৰু কোম্পানীৰ দেৱান, 1825 চনৰপৰা 1850 চনলৈকে বৃটিছৰ শাসন-পদ্ধতি, পর্বতীয়া অঞ্চলৰ পৰিস্থিতি, মফত মিল্‌ছৰ আগমন আৰু মণিৰাম দেৱানৰ বৃটিছৰ শাসনৰ বিশ্লেষণ, বৃটিছ শাসনৰ প্রতি থকা আস্থাৰ প্রথম প্রতিক্রিয়া, স্বাধীনতা সংগ্রামৰ আয়োজন, দেৱানৰ গ্রেপ্তাৰ, বিচাৰ আৰু ফাঁচী, সাংসাৰিক চিত্র, দেৱানৰ সতীর্থসকল— এনেদৰে সোতৰটা অধ্যায়ত কথাসমূহ লিপিবদ্ধ কৰি পৰিশিষ্ট হিচাপে আকৌ বহু কথা যোগ দি দীঘল অংশ এটা সন্নিৱিষ্ট কৰিছে।

মণিৰাম দেৱান গ্রন্থখনৰ জৰিয়তে দেৱানৰ জীৱনটোক সুন্দৰকৈ জানিব পৰা যায়। ই এহাতে জীৱনী, আনহাতে অসমৰ বুৰঞ্জী।

১১.৪ মূল পাঠৰ বিষয়বস্তু

১১.৪.১ অসমত স্বাধীনতাৰ ৰণ আৰু মণিৰামৰ ভূমিকা

বৃটিছ শাসনৰ অত্যাচাৰত অতিষ্ঠ ভাৰতবাসীয়ে যেতিয়া মহাত্মা গান্ধীৰ আদর্শৰে উদ্বুদ্ধ হৈ স্বাধীনতা সংগ্রামত লাগিছিল অসমতো সেই সংগ্রামৰ জুই আৰম্ভ হ'ল। পৰাধীনতা আঁতৰাই স্বদেশ স্বৰাজ্য প্রতিষ্ঠাৰ বাবে সংগ্রাম কৰাসকল কিন্তু বৃটিছৰ চকুত ঘোৰ অপৰাধী বুলি চিহ্নিত হ'ল।অসমত স্বাধীনতাসংগ্রামৰ ঘাই মস্তিষ্ক আছিল মণিৰাম দেৱান। সম্পূর্ণ নাম মণিৰাম দেৱান বৰভাণ্ডাৰ বৰুৱা। বৃটিছক খেদিবলৈ মণিৰামৰ গোপন পৰিকল্পনা আৰম্ভ হ'ল। মণিৰামৰ স্বাধীনতা পিয়াসী পৰিকল্পনাৰ মূল লগৰীয়া হ'ল পিয়ালী বৰুৱা। সেই সময়তে নিজৰ দেশ উদ্ধাৰৰ যুঁজত আত্মাহুতি দিবলৈ অনেক লোক বাটলৈ ওলাল। এওঁলোকৰ সৈতে দেশ উদ্ধাৰৰ পৰিকল্পনাত অংশ লোৱা আনসকল ব্যক্তিৰ ভিতৰত বাহাদুৰ গাঁওবুঢ়া খনিকৰ, দুতিৰাম বৰুৱা চিৰস্তাদাৰ, মৰঙিখোৱা গোহাঁই, নীলকণ্ঠ চোলাধৰা ফুকন, লুকি শেনচোৱা বৰুৱা, গণেশচন্দ্র কাইথ বৰুৱা, মায়াৰাম নাজিৰ, কমলা চাৰিঙীয়া বৰুৱা, নাৰায়ণ বৰবৰা, উমাকান্ত শর্মা, মধুৰাম কোচ আদি উল্লেখযোগ্য। এওঁলোকৰ লগত আৰু অনেক ব্যক্তিয়ে দেশৰ হেৰোৱা স্বাধীনতা উদ্ধাৰৰ কাৰণে ৰণত নামিল। মণিৰামৰ পৰিকল্পনাত যেতিয়া অসমৰ চুকে-কোণে জনতা জাগৃত হৈ উঠিল তেতিয়া তেওঁ বিয়াগোম বৃটিছ চৰকাৰৰ মূৰৰ কামোৰণি হৈ পৰিল।তেওঁলোকে ভাবিলে যে অসমত স্বাধীনতা যুঁজৰ উঁহ স্বৰূপ মণিৰামক

নোহোৱা কৰিব পাৰিলেই সংগ্রামৰ জুই আপোনা-আপুনি নোহোৱা হ'ব। মণিৰামে বৃটিছৰ বিৰুদ্ধে ৰচা ষড়যন্ত্রৰ এখন গোপন চিঠি চাহাবৰ হাতত পৰাত সেয়ে বৃটিছৰ বাবে ব্রহ্মাস্ত্র হ'ল। প্রথমে তেওঁক বন্দী কৰি আলিপুৰ জেলত ৰাখিলে। মণিৰাম-পিয়ালীৰ লগতে লগৰীয়াকেইজনৰ বিৰুদ্ধেও বৃটিছৰ চোৰাংচোৰাই নিজৰ দেশ উদ্ধাৰৰ বাবে কাম কৰাৰ সকলো প্রমাণ সংগ্রহ কৰি দিলে।

১১.৪.২ বৃটিছে কৰা বিচাৰ

বিচাৰ চলিল। প্রথম জগৰীয়া বুলি ঠাৱৰ কৰা কন্দর্পেশ্বৰ সিংহক আলিপুৰ জেললৈ পঠিয়ালে। দ্বিতীয় আছামী মধুৰাম কোচক সাত বছৰ কাৰাদণ্ড দিলে। তৃতীয় আছামী আছিল পিয়ালী বৰুৱা বা মহেশচন্দ্র গাভৰুমেলীয়া বৰুৱা। মণিৰাম দেৱানৰ স্বদেশ উদ্ধাৰৰ পৰিকল্পনাৰ তেওঁ প্রধান প্রচাৰক আৰু মূল সহযোগী। নিজৰ দেশ উদ্ধাৰ কৰিব বিচৰাৰ অপৰাধত তেওঁৰ প্রাণদণ্ডৰ আদেশ হ'ল।চতুর্থ আছামীজনেই হ'ল মণিৰাম দেৱান। দেৱানক বন্দী কৰি সর্বোচ্চ শাস্তি প্রদান কৰিবলৈ বৃটিছতন্ত্রই সকলো পৰিকল্পনা ৰচনা কৰিছিল, সর্বশক্তি প্রয়োগ কৰিছিল।

মণিৰামক বন্দী কৰাৰ পিছতো কিন্তু অসমত বিদ্রোহ শাম নাকাটিল। বৰঞ্চ বিদ্রোহৰ তলসুৰীয়া সোঁতটো বেছিহে হ'ল বুলি বৃটিছ শাসকে অনুভৰ কৰিলে।থোলাই কোচৰ পুতেকৰ অনুপ্রেৰণাত চাহ বাগিচাৰ কাম-কাজ বন্ধ হ'বলৈ ধৰিলে। সাধাৰণ মানুহে ভাবিবলৈ ল'লে যে এইবাৰ ফিৰিঙ্গিবোৰক কাটি-মাৰি খাস্তাং কৰিব। গতিকে তেওঁলোকৰ মন বিদ্রোহৰ ফালেহে ঢাল খাবলৈ ধৰিলে। অসমত আৰম্ভ হোৱা সংগ্রাম দমন কৰিবলৈ বাগিচাৰ চাহাবে বঙ্গদেশৰ দুৱলীয়া লাট হেলিডে চাহাবলৈ অধিক গোৰা পল্টন বিচাৰি যেতিয়া চিঠি লিখিলে তাৰ সঁহাৰি হিচাপে এশ চিপাহী অসমলৈ পঠিয়ালে। চিপাহীবোৰৰ স্বাস্থ্যৰ তদাৰক কৰিবলৈ লগত আহিল আসাম টি কোম্পানীৰ ডাক্তৰ স্কিপ্টন চাহাব।এই চিপাহীবোৰ অহা জাহাজতে মণিৰামকো অসমলৈ পঠিয়াই দিলে।

যোৰহাটত মণিৰাম দেৱানৰ সহযোগীসকলৰ অপৰাধৰ বিচাৰ চলিল। 1858 চনৰ 30 জানুৱাৰীত মধুৰাম কোচৰ আৰু 9 ফেব্রুৱাৰীত পিয়ালী বৰুৱাৰ বিচাৰ হ'ল। বিচাৰত পিয়ালী বৰুৱাৰ ফাঁচী ঘোষণা কৰিলে। মণিৰামৰ বিচাৰ পূর্বেই আলিপুৰ জেলত সম্পন্ন হৈছিল। বিচাৰৰ নামত ভেকোভাওনা পাতি নিজৰ পূর্বনির্দ্ধাৰিত ৰায়ৰ সপক্ষে আগতীয়াকৈয়ে প্রমাণ গোটাই বৃটিছ চাহাবে মণিৰাম আৰু লগৰীয়া সকলোকে অপৰাধী সজালে। দেৱানক লৈ অহা জাহাজ ফেব্রুৱাৰী মাহৰ শেষৰফালে কঁকিলামুখৰ মহগড় ঘাটত লাগিলহি। দিছৈ নগৰত থকা ৰজাৰ শূন্য কাৰেঙতে প্রথমে তেওঁক বন্দী কৰি থলে। সেই বন্দীশালতে পিয়ালী বৰুৱাও আছিল। আহি পোৱাৰ পিছদিনাই অর্থাৎ 23 ফেব্রুৱাৰী তাৰিখে মণিৰাম দেৱানক হলৰইডৰ আদালতলৈ লৈ যোৱা হ'ল। মিঃ ষ্টুৱার্টে যিদৰে মণিপুৰত নৰীন্দ্রজিৎ সিঙৰ বিদ্রোহৰ অপবাদ প্রমাণৰ বাবে নিজৰ কামত

অহাকৈ সকলো প্রমাণ গোটাই থৈছিল অনুৰূপ ধৰণে কেপ্তেইন হলৰইডেও মণিৰামৰ বিৰুদ্ধে সর্বোচ্চ শাস্তি ঘোষণা কৰিব পৰাকৈ সকলো প্রমাণ হাতত গোটাই ৰাখিছিল। 1858 চনৰ 23 ফেব্রুৱাৰী তাৰিখে যোৰহাটৰ সামৰিক আদালত পাতি হলৰইডে ৰায় দিলে যে পূর্বে ফাঁচীৰ হুকুম দি থোৱা পিয়ালী বৰুৱাৰ সৈতে একেলগে মণিৰামৰো ফাঁচী সম্পন্ন কৰা হ'ব। 1858 চনৰ 26 ফেব্রুৱাৰী তাৰিখেই দুয়োজনকে ফাঁচী দিয়াৰ দিন চাহাবে থিক কৰিলে।

১১.৪.৩ মণিৰামৰ প্রতিক্রিয়া

দেশ ৰক্ষাৰ কাম কৰি হঠাৎ মৃত্যুৰ মুখামুখি হ'ব লগা বাতৰি পোৱাৰ পিছতো মণিৰাম অলপো বিচলিত নহ'ল। জন্ম হ'লে মৰণো এদিন হ'বই বুলি মৃত্যুৰ আদেশ সাধাৰণভাৱে তেওঁ স্বীকাৰ কৰি ল'লে আৰু ভগৱানৰ চৰণত নিজকে সমর্পণ কৰিলে। তেওঁৰ মনৰ ভিতৰত সেইসময়ত হাজাৰ সংঘাত চলিলেও তেওঁক লগ কৰিবলৈ যোৱা মানুহে তেওঁৰ মুখ ত তাৰ কোনো চিন দেখা নাপালে। শোক-ক্ষোভৰ পৰিৱর্তে তেওঁৰ মনত দয়া-ক্ষমাৰ নদী এখনহে বৈ থকা দেখিবলৈ পালে। ফাঁচীৰ আগদিনা তেওঁক দেখা কৰিবলৈ যাওঁতে পুতেক এজনক ওলোটাই তেওঁ সান্ত্বনা দি এই বুলিহে ক'লে— "কাইলৈ এই নশ্বৰ দেহা এৰা পৰিব। সেইবাবে তহঁতে একো বেজাৰ নকৰিবি। তহঁতে ভাই-ককাই কেউটি মিলা-প্রীতিৰে থাকিবি। চেংলুং আৰু চেনিমৰা বাগিচা দুখনকে সোণৰ গছ বুলি ভাবিবি। মেহুৰাক অর্জুনৰ গুৰিৰ মাটিখিনি দিবি। ম'ৰা চৰাই দুটা স্বর্গীয় যাদৱৰায়ৰ ঠাইলৈ (দক্ষিণপাট সত্রলৈ) পঠিয়াবি। আঘোণী আৰু লুদুৰীহঁতৰ পৰিয়ালটোক আগলৈকে নেৰিবি। মোৰ দুর্যশ ৰটা মানুহক কেতিয়াও বিশ্বাস নকৰিবি।"

আপোনজনৰ পৰা এনেদৰে চিৰকাললৈ বিদায় লৈ তেওঁ মৰণৰ বাবে সাজু হৈ থাকিল।

১১.৪.৪ ফাঁচীৰ প্রস্তুতিআৰু সমাপন

টোকোলাই নৈৰ পশ্চিম পাৰত, বুঢ়াগোহাঁইৰ টোলৰ ফালে কুঁৱৰী পুখুৰীৰ পূবে, গড়ৰ আলিৰ দক্ষিণে ফাঁচীৰ ঠাই ঠিক কৰা হ'ল। কামেশ্বৰ সিংহই নতুন ঘৰ সাজিবলৈ শিঙৰি কাঠৰ খুটা অনাই থৈছিল। তাৰে দুযোৰ খুটা আনি পুতি কটৰাৰ দৰে কৰি মাজত আষল-শলাৰ দৰে ঢেকী-ডাং দিলে। তাৰ সোঁমাজত খোলনি বিন্ধা দি ওপৰতে কাঁতৰিৰ দৰে এডাল কাঠ বহুৱাই কাঠৰ দুইমূৰে দুডাল দীঘল চিপজৰী লগালে। এই চিপজৰী বীৰাই চাওডাং নামৰ এজন ফাটেকিয়ালৰ হতুৱাই এসেৰ মুগা সূতাৰে বটোৱাই ৰাখিছিল। কাঁতৰিডালৰ মূৰৰ পোনে পোনে মাটিৰ ওপৰত দুফালে দুখন চাং সজাই তাৰ ওপৰত সমানকৈ চচালি পাৰিলে। বাহিৰৰ পৰা নেদেখা হোৱাকৈ চাঙৰ চাৰিওপিনে বেৰা দিলে। ফাঁচীশালখন ঠিক চাৰি সংখ্যাটোৰ দৰে সজোৱা হৈছিল।

অৱশেষত ফাঁচীৰ দিন আহিল। পুৱাৰে পৰা জাকে জাকে চিপাহীয়ে ভাগে ভাগে শাৰী পাতি কান্ধত বন্দুক লৈ টহল দি ঠাইখন চক্রবেহুৰ দৰে বেৰি পেলালে। এই চক্রবেহুৰ পৰা দূৰৈত বাহিৰফালে হেজাৰ বিজাৰ মানুহ। ৰংপুৰ, গোলাঘাট, মাজুলী আদি বিভিন্ন ঠাইৰ পৰা অনেক মানুহ আহি হুৰাদুৰা লগাইছে। কোনোবাই কান্দিছে, কোনোবাই হুমুনিয়াহ কাঢ়িছে, কোনোবাই শোকৰ বোজা ল'ব নোৱাৰি ঘৰলৈ উলটিছে। সকলোৰে মনত ক'লৈ যাম কি কৰিম অৱস্থা। প্রকৃতিৰ ৰূপো সেইদিনা অস্বাভাৱিক। বেলি উঠিছে যদিও চৌপাশে মৰলৰ ছাতি। বতৰ গোমা। পোহৰ নাই। বেলি উঠাৰ লগে লগে ফাঁচীৰ আয়োজন খৰধৰ হৈছে। ফাঁচীশালৰ কাষতে ৰিচার্ডছন, বিচ্চাৰ, হলৰইড, ন-কছাৰী আসাম কোম্পানী আৰু নেঘেৰীটিং বাগিচাৰ কেইজনমান চাহাবে মনৰ সুখেৰে চেলেউ হুপি আছে। কর্তব্যপৰায়ণ হৰনাথ দাৰোগাও তাত উপস্থিত। সময় ন মান বাজিল। দিছে কোঁঠৰ ছাউনিৰ পৰা কঁকালত শিকলিৰে জোটাপাতি বন্ধা অৱস্থাতে মণিৰাম-পিয়ালীক উলিয়াই আনিলে। মণিৰামৰ মুখত তেতিয়াও বেজাৰৰ চিন নাই, হাতত ৰূপৰ ধোঁৱাখোৱা। দুয়োজনৰ আগে-পিছে বৰকাণ্ডাজ চিপাহী। মণিৰাম-পিয়ালীৰ কঁকালৰ বান্ধ মোকলাই দি এজন এজনকৈ দুয়োৰে হাতত পিছফালে হাতকেৰেয়া লগালে।এনেদৰে হাতবন্ধা অৱস্থাতে দুয়োকে বৰশীৰ পোনে পোনে তৰি থোৱা চাঙৰ ওপৰত তোলা হ'ল। হলৰইডে ফাঁচীৰ ৰায় দুখন ইংৰাজী আৰু বঙলা দুয়োটা ভাষাতে পঢ়ি শুনালে। আদেশ শুনি মণিৰাম-পিয়ালী দুয়ো নীৰৰে থাকিল। দুটামান হোপা মাৰি মণিৰামে ধোঁৱাখোৱাটো দাৰোগাৰ হাতত দিলে আৰু ফাঁচীচাঙৰ পৰাই সমবেত ৰাইজলৈ চাই ক্ষমা খুজিলে— "হে প্রজাসকল, মই বিষয়া হৈ থাকোঁতে মোৰপৰা তোমালোকে অশেষ দুখ-বেজাৰ পাইছিলা, সেই সকলোবোৰ এনে সময়ত তোমালোকে ক্ষমা কৰি দিব লাগে।"

এনেতে ফাঁচীচাঙৰ চাৰিওকাষে পহৰা দি থকা চিপাহীবোৰে জাঁয়ে জাঁয়ে হিলৈ ফুটাবলৈ ধৰিলে। কেউপিনে হুলস্থুল লাগিল। বাৰুদৰ ধোঁৱাই আকাশ ছানি পেলালে। হিলৈৰ মাত কমি অহাত ধোঁৱা-কোঁৱাৰ মাজতে দুটা ফাটেকিয়াল চাঙৰ ওপৰলৈ উঠি মণিৰাম-পিয়ালী দুয়োৰে মূৰত ক'লা টুপী পিন্ধাই চকু-মুখ ঢাকি, ডিঙিত ফাঁচ বৰশী লগাই নামি আহিল। বীৰাই চাওদাঙে চঁচালিখন দাঙি ফাঁচীজৰীত টিপ দিলেহি। যেই টিপ দিলে দুয়োৰে শৰীৰ মৰা শ হৈ তললৈ পৰিল। সেই তেতিয়াৰে পৰা সাঁজ লাগি ভগালৈকে দুয়োৰে দেহা দুটা তাতে পৰি থাকিল।

১১.৪.৫ মণিৰামৰ মৃত্যুৰ প্রভাৱ

মণিৰাম-পিয়ালীক অন্যায়ভাৱে ফাঁচী দিয়াৰ পিছত দেশত অমঙ্গল হ'বলৈ ল'লে। গোটেই দেশ শোকত জয় পৰিল। জিলীয়ে যা, কোৱাই কা নকৰা অৱস্থা। প্রকৃতিৰ গতিও যেন ৰৈ গ'ল। কাৰোৰে কামত হাত নপৰে। শিপিনীৰ যঁতৰৰ শলা নুঘুৰা হ'ল।

উত্তৰ লক্ষীমপুৰৰ ৰঙা নৈৰ পাৰত সাত দিন সাত ৰাতি একেৰাহে জুই লাগিবলৈ ধৰিলে। আকাশত নেজাল তৰা ওলাল। কুকুৰে চাং বগালে। কাকতী ফৰিঙে দেশ ছানি পেলালে। গোৰা ছিপাহীৰ অত্যাচাৰত দেশ জঁয় পৰিল। যোৰহাট জুইহাট হ'ল। দেশ ৰক্ষাৰ বাবেই কৰুণভাৱে মৃত্যুক সাৰটিব লগা মণিৰাম-পিয়ালীৰ এনে দশা দেখি অসমৰ মানুহৰ শোকৰ পাৰ ভাগিল। মণিৰামৰ গুণ-গান গাই অসমীয়া মানুহে সান্ত্বনা ল'লে। অসম বুৰঞ্জীৰ এই কৰুণ ঘটনাক লৈ অনামী চহা কবিৰ হাতত সৃষ্টি হ'ল বুৰঞ্জীমূলক কাহিনী গীত—

"চালত মলঙিল চালেদৈ কোমোৰা
টেকেলিত মলঙিল লোণ,
মাটিত মলঙিলে মণিৰাম দেৱান ঐ
নেকান্দি থাকিব কোন?"

অসমৰ লোককবিয়ে ৰচনা কৰা এনে 'মণিৰাম দেৱানৰ গীত' আজিও অসমত প্ৰচলিত হৈ আছে।



জানি থোৱা ভাল

- মণিৰাম দেৱান ঢুকোৱাৰ পিছত তেওঁৰ জীৱন কাহিনী বৰ্ণাই অনামী চহাকবিয়ে যিসমূহ গীত ৰচনা কৰিছিল সেইসমূহক 'মণিৰাম দেৱানৰ গীত' বুলি জনা যায়। এই গীতসমূহ অসমীয়া লোকগীতৰ অন্তৰ্গত বুৰঞ্জীমূলক কাহিনী গীতৰ শ্ৰেণীত পৰে। 'মণিৰাম দেৱানৰ ফাঁচী' পাঠত থকা "চালত মলঙিল চালেদৈ কোমোৰা" গীতাংশ 'মণিৰাম দেৱানৰ গীত'ৰ অন্তৰ্গত।
- মণিৰাম দেৱানক প্ৰথমে আলিপুৰ জেলত বন্দী কৰি ৰাখিছিল।
- অসমত হোৱা স্বাধীনতা যুদ্ধৰ ঘাই মস্তিষ্ক আছিল মণিৰাম দেৱান।
- মণিৰাম দেৱানৰ ফাঁচীৰ ৰায় দিয়া চাহাবজন আছিল কেপ্তেইন হলৰইড।
- মণিৰাম-পিয়ালীৰ ফাঁচীৰ সময়ত তাত ফাঁচীৰ ৰায় দিয়া হলৰইডৰ উপৰিও ৰিচার্ডছন, বিচ্চাৰ, নকছাৰী— আসাম কোম্পানী আৰু নেঘেৰীটিং বাগিচাৰ কেইজনমান চাহাব উপস্থিত আছিল।
- 'মণিৰাম দেৱানৰ ফাঁচী' এটা জীৱনীমূলক প্ৰবন্ধ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ মণিৰাম দেৱান কেনে ধৰণৰ ব্যক্তিত্বৰ মানুহ আছিল পাঠৰ আধাৰত বিশ্লেষণ কৰি দেখুৱাওক। (150টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ৩ ঃ বৃটিছ চাহাবে মণিৰামৰ ফাঁচীৰ কাৰণে কেনেদৰে পৰিকল্পনা আৰু প্ৰস্তুতি চলাইছিল বুজাই লিখক। (150টা শব্দৰ ভিতৰত)

১১.৫ বেণুধৰ শর্মাৰ গদ্যৰীতি

বুৰঞ্জীৰ সত্য ঘটনাই বেণুধৰ শর্মাৰ সাহিত্যৰ মূল বিষয়বস্তু হ'লেও ৰচনাশৈলীৰ বৈচিত্র্যৰ বাবেই এইবোৰ অতি ৰসাল আৰু সৌন্দর্যপূর্ণ। ঐতিহাসিক, সামাজিক তথ্যক সাহিত্যৰ ৰূপত উপস্থাপন কৰিব পৰাটো তেওঁৰ গদ্যৰীতিৰ অন্যতম গুণ। ভাষাশৈলী আৰু প্রকাশভঙ্গীৰ বৈশিষ্ট্যই বেণুধৰ শর্মাৰ গদ্যক এনে এক সুকীয়া ৰূপ প্রদান কৰিছে যে তাক দূৰৰ পৰাই চিনি উলিয়াব পাৰি। শব্দচয়ন, বাক্যগঠন, অলঙ্কাৰ, লয়, জতুৰা ঠাঁচ, বর্ণনাশৈলী আদিৰ সহযোগত বেণুধৰ শর্মাৰ গদ্যৰীতিয়ে কিদৰে এক বিশেষ ৰূপ লাভ কৰিছে তাক তলত আলোচনা কৰা হ'ল।

- **শব্দচয়ন ঃ** বেণুধৰ শর্মাৰ গদ্যৰীতিৰ এটি আকর্ষণীয় দিশ হ'ল শব্দপ্রয়োগ। শব্দচয়নৰ বৈশিষ্ট্যই শর্মাৰ গদ্যক অসাধাৰণত্ব প্রদান কৰিছে। তৎসম, অর্দ্ধতৎসম, তদ্ভৱ, দেশী, অনুবাদগত, বিদেশী, নিজে সজা আদি বিবিধ শব্দৰ প্রয়োগেৰে তেওঁৰ গদ্য সমৃদ্ধ। কিন্তু বিভিন্ন শব্দ প্রয়োগ কৰিলেও নিভাঁজ অসমীয়া থলুৱা শব্দৰ প্রাচুর্যহে তেওঁৰ গদ্যত বেছিকৈ লক্ষ্য কৰা যায়। তদুপৰি বহুতো ইংৰাজী শব্দৰ পৰিৱর্তে তাৰ অসমীয়া ৰূপ সাজি তেওঁ ৰচনাত ব্যৱহাৰ কৰিছে। ই তেওঁৰ শব্দ ব্যৱহাৰৰ উল্লেখনীয় বৈশিষ্ট্য। শব্দ প্রয়োগৰ এনে বৈশিষ্ট্যৰ জৰিয়তে বেণুধৰ শর্মাৰ মন, চিন্তা আৰু ব্যক্তিত্বৰ জাতে-পাতে অসমীয়া ৰূপৰ পৰিচয় পোৱা যায়। অসমীয়া ভাষাৰ পৰা হেৰাই যাবলৈ ধৰা নিভাঁজ শব্দবোৰ বুটলি আনি তেওঁ তেওঁৰ ৰচনাত ঠাই দিছেহি। তেওঁৰ ৰচনাত ব্যৱহৃত এনে জতুৰা শব্দ কেতবোৰ হ'ল— টিপাটেকেলি, ধোদৰ-পচলা, দোভাছলীয়া, ভেৰাকুটি জোৰা, থিতদিয়া, নাকডেওনা, থিয়কিল, সনাপিঠা, টেটকুটীয়া, চোহোঙা, আতাইতাই, চাহিনী খোৱা, মচুলুমে, কালিয়নকৈ, লুৰুমা হাবি, বাৰেওতিকাল, পোৰাসুঠনীয়া, আঁটকাল, কাজুৱা, ফিন্দখাই থকা, চকুৱাল, অঘৈয়া, থানিকা পতা, ঠেওকালি, টাকনি দিয়া, উমাজলীয়া, টামটিঙালি, আখটি জোৰা, হাতীপুঁবদি, অনাভুৱা, বঁকিয়া, গহৰি কৰা, ৰণচালী, বাৰীয়লীয়া, টোপানীতি, জৰপূৰ, তামিঘৰা, কোঁহকাল, সজা-সৰকা, বৰতি মেলা, চেৰাচুলি, বাংপিতা, আওখটী জোৰা, আউটি ইত্যাদি। হেৰাই যাবলৈ ধৰা পুৰণি থলুৱা শব্দৰ উপৰিও অসমীয়া মানুহে সাধাৰণভাৱে কথা কওঁতে ব্যৱহাৰ কৰা কথিত শব্দ আৰু ঘৰুৱা অপভ্রংশ ৰূপৰ শব্দবোৰ তেওঁৰ সাহিত্যত বহুল ব্যৱহাৰ আছে। যেনে— এহেলৈ, আৰুবেলি, তেওঁজবেলি, হাক দিয়া, কণাকণি হোৱা, তাহানিখন, তাহাঁত, ফট্‌কৰে, আনখন, তিন্‌টা, সেইকিজন, অহাকিটা ইত্যাদি।

  বেণুধৰ শর্মাই তেওঁৰ ৰচনাত হেৰাই যাবলৈ ধৰা অসমীয়া শব্দক যিদৰে বিশেষ মর্যাদা দিছে সেইদৰে তৎসম শব্দবোৰ মুকলি ব্যৱহাৰ কৰিছে। কিন্তু সেইবোৰ সাধাৰণভাৱে প্রচলিত সহজ চিনাকি শব্দহে। অৱশ্যে শর্মাৰ ৰচনাসমূহত তৎসম শব্দৰ প্রয়োগ আছে যদিও বহুল নহয়। কিন্তু *দক্ষিণপাট সত্র* গ্রন্থখনৰ বিষয়বস্তু সত্র আৰু ধর্মকেন্দ্রিক হোৱা বাবে বক্তব্য বিষয়ৰ প্রয়োজনতে যথেষ্ট সংখ্যক তৎসম আৰু ভকতীয়া শব্দ ব্যৱহাৰ

কৰিছে। তৎসম শব্দৰ দৰেই বেণুধৰ শর্মাই তেওঁৰ গদ্যত অর্দ্ধতৎসম শব্দও পাতলীয়াকৈ ব্যৱহাৰ কৰিছে। এনেদৰে বিভিন্ন শ্রেণীৰ বিবিধ শব্দ ব্যৱহাৰ কৰিলেও তেওঁৰ গদ্যৰ মূল জঁকাটো প্রধানকৈ নিভাঁজ জতুৱা আৰু তদ্ভৱ— এই দুই শ্রেণীৰ শব্দৰেই নির্মিত হৈছে।

অকৃত্রিম স্বদেশপ্রেম, জাতিপ্রেম আৰু অতীতপ্রীতিৰ বাবে ভাব-ভাষা উভয়তে নিভাঁজ অসমীয়া ৰূপ প্রকাশ পালেও বেণুধৰ শর্মাই তেওঁৰ ৰচনাত ইংৰাজী শব্দও ব্যৱহাৰ নকৰাকৈ থকা নাই। ইংৰাজী শব্দবোৰ কেতিয়াবা ইংৰাজী বর্ণৰে, কেতিয়াবা তাৰ উচ্চাৰণক অসমীয়া বর্ণৰে, কেতিয়াবা ইংৰাজী শব্দটো লিখি বন্ধনীত অসমীয়া অর্থ, কেতিয়াবা আকৌ অসমীয়া শব্দটো মুকলিকৈ ৰাখি বন্ধনীত ইংৰাজী শব্দটো ব্যৱহাৰ কৰিছে। কিন্তু তেওঁৰ গদ্যত এনে প্রয়োগ ব্যাপক নহয়। বহু সময়ত বেণুধৰ শর্মাই কিছুমান ইংৰাজী শব্দ ইংৰাজী ৰূপতে প্রয়োগ নকৰি নিজে একোটা নতুন অসমীয়া ৰূপ সাজিহে প্রয়োগ কৰিছে। সাধাৰণতে অর্থ স্পষ্ট কৰিবলৈ এনে শব্দৰ ইংৰাজী ৰূপটোও তেওঁ লগতে উল্লেখ কৰিছে। যেনে— টাবচিলিঙি (চাইনব'র্ড), ঘোঁৰাশক্তি (হর্চ পাৱাৰ), উমেদাৰ (এপ্রেণ্টিছ), হেদালি (বাঙ্ক), বিত-চকু (চছমা), ছটিজোতা (শ্লীপাৰ), হাটী (বেৰেক), সুৰুঙা (এভ্‌নিউ), বৃষ্টিস্নান (শ্বাৱাৰ বাথ), বৰদৈগীত (বেলেড), বাহিৰৰ আগচালি (বাৰাণ্ডা), বাঙী (পার্চেল), বৰসেনাপতি (কাপ্টান), টাকনি (ৱার্ণিং), ঘূঘুয়া ৰণ (Cold War), থেম (মার্চ্চ), সজা (ফ্রেম), ডাকোৱাল ডাকবাবু (প'ষ্টমাষ্টৰ), ধূৱা (Camp) , বাঢ়ৈয়ালি পঢ়াশালি (Technical School), আৰেং-পথাৰ(Stadium), খেন-বোমা (Time Bomb), শিহু-জাহাজ (Submarine), নৌ-ফুকন (Navy-Captain), হাঁচটি-খেল (Cross-word), ঘূৰণীয়া মেজমেল (Round Table Conference), মডগার্ড (বোকা-ঢাকনি), চোতাল (ইয়ার্ড), ঠগা (ৰেক্), আর্ল ছেনাটৰিয়ম (স্বাস্থ্যনিবাস), ঠগা (চেলফ)।

- **পাখি সম্পাদক বা সহকাৰী সম্পাদক ঃ** তদুপৰি ইংৰাজী শব্দক ভিত্তি নকৰাকৈয়ো তেওঁ কিছুমান শব্দ নিজে সাজি ব্যৱহাৰ কৰা দেখা গৈছে। এনেদৰে নিজে শব্দ সাজি ব্যৱহাৰ কৰাটো বেণুধৰ শর্মাৰ শব্দচয়নৰ অন্যতম গুৰুত্বপূর্ণ বৈশিষ্ট্য। তেওঁৰ ৰচনাত ধ্বন্যাত্মক শব্দৰ লগতে অনুৰূপ আৰু যুৰীয়া শব্দৰ প্রচুৰ প্রয়োগো লক্ষ্য কৰা যায়। সাধাৰণতে লেখকসকলৰ ভাষাত নোপোৱা এনে বহুতো শব্দৰ ব্যৱহাৰে তেওঁৰ ভাষাৰ ঠাঁচটিক সাধাৰণ মানুহৰ মুখৰ কথা যেন কৰি ঘৰুৱা ৰূপত গঢ়ি তুলিছে। তদুপৰি এনে ৰীতিয়ে বর্ণনীয় বিষয়কো জীৱন্ত আৰু স্পষ্ট কৰি তুলিছে।

বেণুধৰ শর্মাৰ গদ্যৰ শব্দচয়নৰ আন এটা চকুত লগা বৈশিষ্ট্য হ'ল সন্ধিযুক্ত শব্দৰ প্রাচুর্য। সংস্কৃত আৰু অসমীয়া দুই শ্রেণীৰে বহুতো সন্ধিযুক্ত শব্দ তেওঁ সঘনাই ব্যৱহাৰ কৰিছে। যেনে— জ্ঞানামৃত, ধর্মানুষ্ঠান, ক্রোধান্ধ, সূর্য্যোদয়, ঘৃতাগ্নি, ভাতৃদ্বয়, বর্ণাশুদ্ধি আদি।

জতুৱা বিশেষণ শব্দ প্রয়োগৰ এক বিশেষ প্রৱণতা তেওঁৰ গদ্যত লক্ষ্য কৰা যায়। উদাহৰণ হিচাপে ইয়াত কেইটামান শব্দ উল্লেখ কৰা হ'ল— লুৰুমা হাবি, ৰহ-ৰহীয়া আম, উগ্রপতাল চোকা, কটাৰী নলীয়া ল'ৰা, চলৌপাতী কথা, ভেৰাকুটীয়া উপায়, তীখৰচিং ল'ৰা আদি। এইবোৰৰ উপৰিও বাথান, চেংৰা, আখা, মুক্চা আদি উপভাষাৰ শব্দ, ডেকা, লেখিয়া আদি আর্যভিন্ন ভাষাৰ শব্দ আৰু শিকিয়া, তদনন্তৰে, বঢ়াৰপো, ছৱাল, হন্তে, নিৰন্তৰে, শৰণে পশিল, জীৱ-জঙ্গম, বহা আদি পুৰণি সাহিত্যৰ শব্দয়ো শর্মাৰ শব্দসম্ভাৰক বিশাল আৰু বৈচিত্র্যময় কৰি তুলিছে।

বেণুধৰ শর্মাৰ শব্দপ্রয়োগৰ দক্ষতাৰ পৰিচয় দিয়া আন এটা দিশ হ'ল বিষয়বস্তু আৰু পাঠকৰ পার্থক্য অনুসৰি যথোপযোগী শব্দ ব্যৱহাৰ। *দক্ষিণপাট সত্র* পুথি, বুৰঞ্জীমূলক প্রবন্ধ আদিত তেওঁ যিবোৰ শব্দক প্রাধান্য দিছে 'ৰাংপতা', 'লাতুমণি' আদি শিশুসাহিত্যত তেনে শব্দ ব্যৱহাৰ কৰা নাই। শিশুসাহিত্য সমূহত তেওঁ যুক্তাক্ষৰযুক্ত শব্দ, কঠিন শব্দ, তৎসম শব্দ আদি সম্পূর্ণ আঁতৰাই ৰাখি শিশুৰ মনোগ্রাহী হোৱাকৈ শুৱলা আৰু সহজ শব্দহে ব্যৱহাৰ কৰিছে।

বেণুধৰ শর্মাৰ শব্দ নির্বাচন আৰু শব্দ প্রয়োগে তেওঁৰ গদ্যশৈলীক আন লেখকৰ পৰা আঁতৰাই ৰাখিব পৰা এক সুকীয়া বিশেষত্ব প্রদান কৰিছে। অৱশ্যে কোনো কোনো স্থানত ইংৰাজী শব্দ পৰিহাৰ কৰিবলৈ গৈ তেওঁ ব্যৱহাৰ কৰা কিছুমান শব্দ পাঠকৰ বাবে বুজিবলৈ অসুবিধা হয়। আৰু এনে শব্দই গদ্য ঠায়ে ঠায়ে কৃত্রিম সুৰীয়া কৰি তুলিছে। দুই এটা দোষ-ত্রুটি থাকিলেও সামগ্রিক বিচাৰত বেণুধৰ শর্মাৰ বিশাল আৰু সমৃদ্ধময় শব্দভাণ্ডাৰ আৰু ইয়াৰ প্রয়োগৰ দক্ষতা অতি প্রশংসনীয়। শব্দ ব্যৱহাৰৰ চকুত লগা বৈশিষ্ট্যৰ বাবেই তেওঁৰ গদ্যৰীতিৰ ৰূপ আন লেখকৰ সৈতে নিমিলে।

- **বাক্যগঠন ঃ** বেণুধৰ শর্মাৰ বাক্যগঠনৰ প্রধান বৈশিষ্ট্য হ'ল নিভাঁজ জতুৱা ঠাঁচৰ প্রয়োগ। সকলো শ্রেণীৰ গদ্যতে এনে জতুৱা ঠাঁচৰ সফল প্রয়োগৰ বাবেই শর্মাৰ গদ্যই বেজবৰুৱাৰ গদ্যৰ দৰে সমগ্র অসমীয়া গদ্যসাহিত্যৰ ভিতৰতে বিশেষ ৰূপ পৰিগ্রহ কৰি ব্যতিক্রম হৈ ধৰা দিছে আৰু সুকীয়া মর্যাদাও লাভ কৰিছে। তেওঁৰ ৰচনাৰপৰা এনে ধৰণৰ জতুৱা ঠাঁচযুক্ত গদ্যৰ কেইটামান উদাহৰণ দাঙি ধৰা হ'ল— "মকৰা পেষ্কাৰে ভলণ্টিয়াৰক কিয় কুকুৰ বুলিছিল আৰু ভাবুকি দি, ফোৰোহনি মাৰি টেপু-কৃষ্ণাইক কেনেকৈ কর্ফাল খুৱাই মোৰ ওচৰ পোৱাইছিল, তাৰ আঁতি-গুৰি কলেহে সাত-বিহুৰ-সৈয়াকণী মকৰা পেষ্কাৰৰ কথাৰ ভাও আৰু সজাসৰকা প্রকৃতিৰ তৎ ধৰিব পৰা যাব।"

শর্মাই জীৱনী, বুৰঞ্জীবিষয়ক ৰচনা আদিত প্রয়োজন বিশেষে চুটি আৰু দীঘল দুই-ধৰণৰে বাক্য ব্যৱহাৰ কৰি বর্ণনাসমূহ আকর্ষণীয় কৰি তুলিছে। উদাহৰণ স্বৰূপে, তেওঁৰ আত্মজীৱনী 'মজিয়াৰ পৰা মেজলৈ'ৰ আৰম্ভণিতে চুটি চুটি বাক্য প্রয়োগ কৰি পাঠকৰ উৎসুকতা জগাব পৰাকৈ বিষয়বস্তু উপস্থাপন কৰিছে। বিষয়বস্তুৰ তাগিদাত প্রয়োজনবোধে আকৌ দীঘল বাক্যও ব্যৱহাৰ কৰিছে। অৱশ্যে গহীন বিষয়ৰ ৰচনাত সামগ্রিক বিচাৰত তেওঁৰ গদ্যত চুটি বাক্যৰ প্রাধান্য অধিক।

তেওঁৰ প্ৰায়বোৰ পুথিয়েই ইতিহাসৰ গুৰুগম্ভীৰ তথ্য সম্বলিত গহীন বিষয়ৰ ৰচনা হ'লেও এইবোৰত লেখকে চৰিত্ৰৰ মুখত যথেষ্ট কথিত ৰূপৰ বাক্য ব্যৱহাৰ কৰিছে। এনে কলা-কৌশলৰ প্ৰয়োগৰ বাবে চিন্তাশীল ৰচনা হৈও নাটক-উপন্যাস আদিৰ দৰে এইবোৰে পাঠকৰ মনত ৰসবোধ জন্মাব পাৰে। যেনে— "আটাই গুৱালেই পানী দিয়ে, নাম হয় জয়ৰামৰ। হক তেও, গাখীৰত পানী দিয়েই জয়ৰামে ভূ-ভাৰস্তত নাম থৈ গ'ল।"

শিশু সাহিত্যতো তেওঁ কথিত বাক্যভঙ্গীৰ যথেষ্ট প্ৰয়োগ কৰিছে। সেয়েহে শর্মাৰ শিশু-সাহিত্যৰাজিয়ে এনে এক শক্তি লাভ কৰিছে যে এইবোৰ পঢ়িলে পাঠকে অনুভৰ কৰে সাধুবোৰ যেন কোনোবাই কৈহে গৈছে। এনে কথিত বাক্যভঙ্গীৰ প্ৰয়োগে তেওঁৰ লিখাৰ সৈতে শিশুৰ আন্তৰিক যোগাযোগ বহোৱাত সহায় কৰিছে।

বাক্য ৰচনাৰ ক্ষেত্ৰত প্ৰধান কথা হ'ল বিষয় বা ভাব অনুসৰি কেনে ধৰণৰ বাক্য উপযোগী হয় তাৰ প্ৰতি গুৰুত্ব দিয়াটো। এই ক্ষেত্ৰত বেণুধৰ শর্মা এজন সার্থক খনিকৰ। তেওঁ পৰিৱেশোপযোগী কৰি সৰল, জটিল, যৌগিক, চুটি, দীঘল, ভাববোধক, প্ৰশ্নবোধক আদি বিভিন্ন বাক্য ব্যৱহাৰ কৰিছে। সংস্কৃত, ইংৰাজী, তদ্ভৱ আৰু থলুৱা শব্দ আদিৰ প্ৰয়োগেৰে বাক্য ৰচনাকৰাৰ দৰে কেতিয়াবা আকৌ সম্পূৰ্ণ সংস্কৃত বাক্যকেই ৰচনাত সন্নিবিষ্ট কৰিছে। কেতিয়াবা **পুৰণি সাহিত্যৰ উদ্ধৃতি দি আকর্ষণীয় বাক্য ৰচনা কৰিছে।** ইতিহাসৰ বিষয়বস্তুক লৈ ৰচিত শর্মাৰ গদ্যসমূহত বুৰঞ্জীৰ বাক্যৰীতিৰ ঠাঁচো পৰিলক্ষিত হৈছে। তেওঁৰ কুশলহস্ততাৰ পৰিচয় দিব পৰা এটা বাক্যৰ উদাহৰণ হৈছে— "চৰ্কাৰৰ চাকৰি সকলোৱে কৰে, চাকৰি কৰি বহুতে টকাৰ নুৱা বান্ধে; কিন্তু আর্থিক স্বছলতাৰ ফালে কাণ সাৰ নোহোৱাকৈ শৰাইঘটীয়া আদর্শেৰে অনুপ্ৰাণিত হৈ নৱন্যাসযুগৰ কর্ম্মযোগী পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ দৰে কেইজনে "এক হাতে দুই ফল ধৰিব পাৰে?" এহাতে বিদেশী চৰকাৰক সন্তুষ্ট কৰা, ইহাতে জনমভূমিৰ গৌৰৱ উজলোৱা এই দুয়োটা কাম তালে-কাকে মিলাই কেইজনে কৰিব পাৰে?"

দেশৰ এক জটিল সন্ধিক্ষণত হেমচন্দ্ৰ গোস্বামীয়ে কিদৰে স্বার্থহীন মনোভাব আৰু বুদ্ধিমত্তাৰে জন্মভূমিৰ বাবে কাম কৰিছিল সেয়া পাঠকে সুন্দৰভাৱে অনুভৱ কৰিব পৰাকৈ লেখকে ইয়াত দাঙি ধৰিছে। গোস্বামীৰ ব্যক্তিত্বৰ মহত্ব উপলব্ধিত প্ৰশ্নবোধক বাক্যই বিশেষভাৱে সহায় কৰিছে।

বেণুধৰ শর্মাৰ বাক্য ইংৰাজী বাক্যৰীতিৰ প্ৰভাৱৰ পৰা মুক্ত আৰু বিবিধ গুণেৰে সমৃদ্ধ। দুই এটা সাধাৰণ দোষ-ত্ৰুটি থাকিলেও সামগ্ৰিক বিচাৰত বেণুধৰ শর্মাৰ গদ্যৰ বাক্যৰীতি সুন্দৰ আৰু সফল। শিশু-সাহিত্য, জীৱনী, অনুবাদ গ্ৰন্থ আৰু প্ৰবন্ধ সাহিত্যত বিভিন্ন ভঙ্গীৰ, বিভিন্ন শ্ৰেণীৰ বাক্য ৰচনাৰে তেওঁ নিজৰ গদ্যৰীতিক এক সুকীয়া বৈচিত্ৰ্যময় ৰূপ প্ৰদান কৰাৰ লগতে বিষয়বস্তু সহজবোধ্য সাৱলীল, ৰসপূৰ্ণ আৰু স্পষ্টৰূপত উপস্থাপন কৰিবলৈ সক্ষম হৈছে।

- **অনুচ্ছেদ আৰু লয় ঃ** বেণুধৰ শর্মাই তেওঁৰ ৰচনাৰাজিত সফলতাৰে অনুচ্ছেদৰ ব্যৱহাৰ কৰিছে। তেওঁৰ গদ্যৰ অনুচ্ছেদসমূহৰ একোটা বিশেষ বাক্যই বিশেষ এটা ভাব বহন

কৰা দেখা যায় আৰু সেই মূল ভাবটোৰ সার্থক উপস্থাপনৰ সহায় হোৱাকৈ আন বাক্যবোৰ তেওঁ অনুচ্ছেদটোত স্থাপন কৰে। তেওঁৰ গদ্যত অতি চুটি বা অতি দীঘল অনুচ্ছেদ সাধাৰণতে পৰিহাৰ কৰিছে। স্থানবিশেষে দীঘল অনুচ্ছেদ এটা-দুটা সন্নিবেশ কৰিলেও একেৰাহে একেলগে ব্যৱহাৰ কৰা নাই।

বেণুধৰ শর্মাৰ গদ্যত মাজে মাজে লয় অনুভূত হয়। নিজৰ উদ্দেশ্য পূৰণ হোৱাকৈ বক্তব্য বিষয় সুন্দৰ, শ্রুতিমধুৰ আৰু পাঠকৰ হৃদয়গ্রাহী ৰূপত দাঙি ধৰিবলৈ যাওঁতেই তেওঁৰ গদ্য কোনো কোনো ঠাইত লয়যুক্ত হৈছে। যেনে— "ঠিক সেই সময়তে কাউৰীও পৰিছে, পকা আমো সৰিছে; সদৌ ভাৰততে স্বাধীনতা যুদ্ধৰ খদম্‌দমো লাগিছে। মণিৰামৰ অন্তৰত উমাই থকা জুইকুৰাও জ্বলিবলৈ ধৰিছে। এনে সুৱর্ণ সুযোগ হেলাই যাবলৈ নিদি, মণিৰামে তাক খামোচ মাৰি ধৰিলে আৰু স্বদেশ পৰিত্রাণৰ অর্থে চগা পৰাদি সেই যুদ্ধত উৰা মাৰি পৰিল।"

উল্লিখিত অনুচ্ছেদৰ বাক্যকেইটাই শুনি ভাল লগাকৈ ৰৈ ৰৈ এক অনুৰণন তুলিছে। এয়াই হৈছে গদ্যৰ লয়। এই লয় সম্ভৱ হৈছে ভাষা প্রয়োগৰ চাতুর্যৰ বাবে। বেণুধৰ শর্মাৰ গদ্যসমূহত আৰু বিভিন্ন ঠাইত এনে লয়যুক্ত ৰীতি পৰিলক্ষিত হয়।

- **অলঙ্কাৰ ঃ** বেণুধৰ শর্মাৰ গদ্যত অলঙ্কাৰৰ বহুল প্রয়োগ লক্ষ্য কৰা যায়। গধুৰ বিষয়বস্তুৰ ৰচনাতো অলঙ্কাৰৰ সু-সংযোগে তেওঁৰ বক্তব্যক সহজবোধ্য আৰু মনোৰম ৰূপত পাঠকৰ আগত তুলি ধৰিছে। শর্মাৰ গদ্যত আন সকলো অলঙ্কাৰৰ ভিতৰত উপমাৰ প্রাধান্য অতি চকুত লগা। যিকোনো বিষয়বস্তুকে বর্ণনা কৰিবলৈ গৈ সহজতে তেওঁ উপমা আৰু তুলনাৰ আশ্রয় লৈছে। বেণুধৰ শর্মাৰ অলঙ্কাৰ সংস্থাপন ৰীতিয়ে তেওঁৰ ৰুচি-অভিৰুচি, ব্যক্তিত্বৰো ইঙ্গিত পাঠকক দিবলৈ সক্ষম হৈছে। কাৰণ এইসমূহত তেওঁ যিবোৰ উপমানৰ আশ্রয় লৈছে সেইবোৰ সম্পূর্ণ থলুৱা আৰু অসমৰ মাটিৰ পৰা বুটলি লোৱা। ইয়াৰ জৰিয়তে তেওঁৰ সৰল ব্যক্তিত্ব আৰু অসমৰ মাটি-পানীৰ সৈতে থকা নিবিড় সম্পর্কৰ পৰিচয় পোৱা যায়। বেণুধৰ শর্মাৰ গদ্যত ব্যৱহৃত কেতবোৰ অলঙ্কাৰৰ উদাহৰণ দাঙি ধৰা হ'ল—
  - **উপমা ঃ** "শ্রীকৃষ্ণৰ বাঁহীয়ে যেনেকৈ যমুনাখন ওভোতাই বোৱাইছিল, বেজবৰুৱাৰ বাঁহীয়েও তেনেকৈ কলিকতাৰপৰা লুইতপৰীয়া অসমীয়াৰ মন আন্দোলিত কৰি পেলাইছিল।"
  - **অনুপ্রাস ঃ** "বিদ্রোহৰ বহ্নিত বা দিওঁতা মণিৰাম।"
  - **সমাসোক্তি ঃ** "কেঁচুৰা মাতৃভাষাই কেনেকৈ ডাঙৰ-দীঘল হ'ব, ...কেনেকৈ সি দুর্ব্বল, ৰুগীয়া, জীর্ণ অৱস্থাৰপৰা সৰল, সুস্থ আৰু শকত অৱস্থা পাব, তাৰ উপায় সাধনেই এই সভাৰ উদ্দেশ্য আছিল।"
  - **বিশেষোক্তি ঃ** "ৰাজবংশ আছে— ৰাজ্যবর্দ্ধনৰ শক্তি নাই। সমৃদ্ধি-সমল আছে— যুগুতাবৰ সামর্থ্য নাই। অস্তিত্ব আছে সিও জড়।"

- **সাৰ ঃ** "এওঁ হেনো ৰাজহন্তা, বিশ্বাসহন্তা, দেশদ্রোহী, সঙ্কীর্ণমনা, দেশৰ শান্তি সংহাৰ কৰোঁতা আৰু শত্রুক আগমঙ্গহ-দেখুৱাওঁতা।"
- **অতিশয়োক্তি ঃ** "এনে গাৰ নোম শিয়ৰোৱা অপমানৰ বাতৰি যেতিয়া বিদ্যুৎ-সঞ্চাৰে ব্রহ্মদেশত প্রচাৰ হ'লগৈ তেতিয়া হে সুপ্ত সিংহৰ হাতো�ৰা মেল খাই আহিল।"
- **ব্যাজস্তুতি ঃ** "আমিও বুজিলোঁ— আমাৰ আৰু সৰহ দিন নাই, ছৰ্কাৰৰ বগাঘৰ 'শ্রীক্ষেত্রলৈ' যাবৰ সময় পালেহি।"
- **নিদর্শনা ঃ** "অসম দেশ হাড় কাটোনৰ দেশ— হাড় কাটি কাটি নিজে পতা দেশ।"

এনেদৰে নানাবিধ অলঙ্কাৰেৰে জকমকীয়া বেণুধৰ শর্মাৰ গদ্যৰ ভাষাৰ মাধুর্য, কাব্যিকতা আৰু গতিময়তাও অতি চকুত লগা। এই সকলোবোৰৰ সহযোগত তেওঁৰ গদ্যৰ মাজেদি এক স্পষ্ট আলঙ্কাৰিক ৰীতি গঢ় লৈ উঠিছে।

- **খণ্ডবাক্য, ফকৰা-যোজনা, পটন্তৰ-প্রবচন ঃ** ফকৰা, প্রবচন, খণ্ডবাক্য আদি হ'ল কোনো এটা ভাষাৰ জতুৱা বাক-ভঙ্গী প্রতিফলিত কৰা নিজস্ব মূল্যবান সম্পদ। সেয়েহে ইয়াক যিকোনো লেখকে সম্পূর্ণকৈ আয়ত্ত কৰি সহজে ৰচনাত খাপখোৱাকৈ প্রয়োগ কৰিব নোৱাৰে। কিন্তু বেণুধৰ শর্মাৰ সকলো শ্রেণীৰ ৰচনাতে খণ্ডবাক্য, পটন্তৰ আদি উভৈনদী। এইবোৰৰ সু-সংযোগে তথ্যপূর্ণ হোৱা সত্ত্বেও তেওঁৰ গদ্য সৰস হোৱাত সহায় কৰাৰ লগতে লেখকৰ ব্যক্তিত্বৰ হাড়ে-হিমজুৰে অসমীয়া ৰূপটোকো পাঠকৰ আগত দাঙি ধৰিছে। তেওঁৰ ৰচনাত পোৱা জতুৱা খণ্ডবাক্য, ফকৰা-যোজনা, পটন্তৰ-প্রবচন আদিৰ উদাহৰণ হৈছে— "অসমৰ যি বুৰঞ্জী তাত অকল ৰজা-ৰাজোৱানসকলৰ ইতিবৃত্তই নেথাকে, ৰাজ ভগনৰ পৰা কলথোকা বাদুলীয়ে খোৱালৈকে সকলো কথা থাকে।" "তিৰোতা বুলিলেই গিৰীহঁতৰ মানত আঁঠুৱা তলৰ ম'হ।"

সমগ্র অসমীয়া গদ্য সাহিত্যৰ ভিতৰতে বেণুধৰ শর্মাৰ গদ্যত জতুৱা খণ্ডবাক্য, পটন্তৰ, ফকৰা আদিৰ প্রাধান্য অতি বেছিকৈ দেখা যায়। তেওঁৰ গদ্য ব্যতিক্রম ৰূপত থিয় কৰোৱা ইও এক গুৰুত্বপূর্ণ উপাদান।

- **কূটচিহ্নৰ প্রয়োগ ঃ** বেণুধৰ শর্মাই তেওঁৰ ৰচনাত কূটচিহ্ন প্রয়োগ কৰি গদ্যক সার্থক ৰূপত গঢ়ি তুলিছে। বিশেষকৈ প্রশ্নবোধক আৰু ভাববোধক চিনৰ সুকৌশলী প্রয়োগে বিভিন্ন স্থানত সাধাৰণ ভাষাই ক'ব নোৱাৰা বহুত কথা স্পষ্ট কৰি তোলাত সহায় কৰিছে। শর্মাৰ ৰচনাৰপৰা কূটচিহ্ন প্রয়োগৰ এনে নিদর্শন দাঙি ধৰা হ'ল— "লাচিত ফুকনে শৰাইঘাটৰ ৰণত উঠিব নোৱাৰাকৈ মোগলক নঘটুৱা হ'লে, আজি, আজিহে নেলাগে— আৰু কত হেজাৰ বছৰলৈকে আমি বা কি হৈ থাকিলোঁহেতেন, কোনে জানে? শৰাইঘাটৰ ৰণে আমাক বাৰবেৰেজীয়া খেল গোট খাই কেনেকৈ এটা জাতি হৈ যুঁজিব পাৰোঁ তাক শিকালে; চগা পৰাদি জন্মভূমিৰ নিমিত্তে হেজাৰে-বিজাৰে কেনেকৈ জলাজুইত জাহ যাব পাৰি তাক দেখুৱালে; বঙ্গহৰ মোমাই-মঙ্গহতকৈ যে জন্মভূমিৰ মঙ্গহ লাখটকীয়া তাকো এই যুদ্ধই ফটফটীয়াকৈ দেখুৱাই থৈ গ'ল।"

কূটচিহ্ন ব্যৱহাৰত শর্মা যে সচেতন আৰু পাৰদর্শী আছিল সেয়া ওপৰৰ উদাহৰণটোৰ পৰাই উপলব্ধি কৰিব পাৰি।

বেণুধৰ শর্মাই নিজৰ বক্তব্য পাঠকৰ সন্মুখত ৰসব্যঞ্জক আৰু প্রত্যয়জনক ৰূপত উপস্থাপন কৰিব পাৰে। তাকে কৰিবলৈ যাওঁতে তেওঁৰ হাতত **যুক্তিনিষ্ঠ, জ্ঞানজ্ঞাপক, চিন্তামূলক , নাটকীয়, বর্ণনাত্মক আদি** বিভিন্ন গদ্যৰীতি গঢ় লৈ উঠা দেখা গৈছে।

বেণুধৰ শর্মাৰ গদ্যৰ এটা প্রধান সবল গুণ হ'ল প্রকাশভঙ্গী। সৰল যথাযথ বর্ণনাৰেই একোটা প্রাকৃতিক চিত্র বা একোটা ঘটনা তেওঁ মনোৰম ৰূপত তুলি ধৰিব পাৰে। বর্ণনাক্ষমতাৰ বাবেই তেওঁৰ ৰচনা পঢ়িলে একোজন মানুহ, একোটা দৃশ্যৰ এক স্পষ্ট ছবি পাঠকৰ মনঃচক্ষুৰ আগত ভাঁহি উঠে। *মণিৰাম দেৱানৰ ফাঁচী* পাঠৰ দেৱানৰ ফাঁচীৰ দৃশ্যটোলৈ এই প্রসঙ্গত আঙুলিয়াব পাৰি। বর্ণনীয় বিষয়বস্তু, পৰিৱেশ বা চৰিত্র আদিক অধিক স্পষ্ট আৰু পাঠকৰ মনোগ্রাহী কৰিবলৈ গৈ ঠায়ে ঠায়ে আকৌ তেওঁ সুন্দৰভাৱে প্রত্যক্ষ সংলাপ আৰু কথোপকথন ভঙ্গীৰো প্রয়োগ কৰিছে। বহু ঠাইত কথোপকথন ভঙ্গীৰ সন্নিবেশে তেওঁৰ গদ্যক নাটকীয়তা প্রদান কৰিছে। কিন্তু কেতিয়াবা একেবোৰ বর্ণনাৰে পুনৰাবৃত্তি, সংযমৰ অভাৱ আদি তেওঁৰ গদ্যত পৰিলক্ষিত হয়। তেনে দুই এটা দোষত্রুটি থাকিলেও এক জতুৰা আৰু ওজস্বী গদ্যৰীতিৰ স্রষ্টা হিচাপে বেণুধৰ শর্মা ব্যতিক্রম আৰু সফল সাহিত্যিক। আন সাহিত্যৰাজিৰ দৰেই তেওঁৰ "সাংবাদিকতাৰ ভাষাও আছিল তেনেই নিভাঁজ আৰু নিমজ অথচ নিৰহ নিপানীকৈ থলুৱা।

বেণুধৰ শর্মাই হেৰাই যাবলৈ ধৰা গাঁৱলীয়া ভাষা বুটলি আনি তেওঁৰ ৰচনাত নিজা মান-মর্যাদাৰে তুলি ধৰিলে। কৌশলপূর্ণ গদ্যৰীতিৰে বিষয়বস্তুক পাঠকৰ আগত জীৱন্ত ৰূপত উপস্থাপন কৰি স্বদেশপ্রীতি আৰু সচেতন চিন্তা বৃদ্ধিৰ চেষ্টা কৰিলে। কাৰণ শর্মাৰ সাহিত্যসৃষ্টিৰ মূল প্রেৰণাই আছিল জাতিপ্রেমী, স্বদেশপ্রেমী মনটো। তেওঁৰ গদ্যৰীতিৰ মাজেদি তেওঁৰ ব্যক্তিত্ব, চিন্তা, মানসিকতাৰ এক সৰল অকৃত্রিম ৰূপ প্রতিফলিত হৈছে। নিভাঁজ অসমীয়া ভাষা আৰু মনোৰম প্রকাশভঙ্গীৰ বাবেই অসমীয়া গদ্য সাহিত্যৰ ইতিহাসত বেণুধৰ শর্মা আৰু তেওঁৰ গদ্যৰীতিৰ এক বিশেষ মূল্য আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ "বেণুধৰ শর্মাৰ গদ্য অসমীয়া গদ্য সাহিত্যৰ এক আপুৰুগীয়া সম্পদ।" —কথাষাৰৰ যুক্তিযুক্ততা বিশ্লেষণ কৰক। (150টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৫ ঃ বেণুধৰ শর্মাৰ গদ্যৰ বৈশিষ্টসমূহ আলোচনা কৰক। (150টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৬ ঃ বেণুধৰ শর্মাৰ সাহিত্যত শব্দৰীতিৰ কেনে বৈশিষ্ট্য দেখিবলৈ পোৱা যায় উদাহৰণসহ আলোচনা কৰক। (150টা শব্দৰ ভিতৰত)



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বেণুধৰ শর্মাৰ জীৱন, স্বদেশপ্রেম আৰু স্বদেশ চিন্তাৰ বিষয়ে বিস্তৃতভাৱে অধ্যায়টোত আলোচনা কৰা হৈছে।
- বেণুধৰ শর্মাক সাহিত্য ৰচনাৰ বাবে কিহে প্রেৰণা দিয়ে, তেওঁৰ সাহিত্যৰ প্রকৃতি কেনে ধৰণৰ, সাহিত্যসমূহৰ পৰিচয় আদি অধ্যায়টোত সন্নিৱিষ্ট হৈছে।
- মণিৰাম দেৱানৰ স্বদেশপ্রেম, তেওঁৰ ব্যক্তিত্ব, অসমৰ মানুহৰ প্রতি থকা তেওঁৰ স্নেহ কেনে ধৰণৰ তাৰ বিবৰণ পাঠটোৰ জৰিয়েতে লাভ কৰিব।
- বৃটিছ শাসকে অসমত কৰা অত্যাচাৰ আৰু মণিৰাম-পিয়ালী আদি স্বদেশপ্রেমী ব্যক্তিসকলৰ প্রতি কৰা অবিচাৰ পাঠটোৰ জৰিয়তে সুন্দৰকৈ উপলব্ধি কৰিব পাৰিব।
- বৃটিছ শাসনকালৰ ফাঁচীৰ ব্যৱস্থাটোৰ বিষয়ে জানিব পাৰিব।
- অসমীয়া লোকগীতৰ অন্যতম শ্রেণী বুৰঞ্জীমূলক কাহিনী গীতৰ আভাস পাব।
- বেণুধৰ শর্মাৰ স্বৈশিষ্ট্যসূচক গদ্যৰীতিৰ বিষয়ে বিস্তৃতভাৱে জনাৰ সুযোগ পাব।



১১.৭ অধিক জানিবলৈ

1] বৰকটকী, উপেন্দ্র (সঙ্ক.) [1969] ঃ *বেণুধৰ শর্মা অভিনন্দন গ্রন্থ*; কলিয়াবৰ ঃ কল্পতৰু সমবায় গ্রন্থালয়ৰ হৈ প্রকাশ চন্দ্র বৰদলৈ।

2] ভূঞা, স্মৃতিৰেখা [2009] ঃ *অসমীয়া গদ্যৰীতি*; গুৱাহাটী ঃ আঁকবাক।

3] শর্মা, বেণুধৰ [1915] ঃ *মণিৰাম দেৱান*; মানুহ প্রকাশন।

4] শর্মা, বেণুধৰ [1967] ঃ *অর্ঘ্যাৱলী*; অসম জ্যোতি।

5] শর্মা, বেণুধৰ [1969] ঃ *ৰাংপতা*; অসম জ্যোতি।

6] শর্মা, বেণুধৰ [1971] ঃ *কংগ্রেছৰ কাঁচিয়ালি ৰ'দত*; অসম জ্যোতি।

7] শর্মা, বেণুধৰ [1974] ঃ *দূৰবীন*; (তৃতীয় সংস্কৰণ), অসম জ্যোতি।

8] শর্মা, যজ্ঞেশ্বৰ (সম্পা.) [1987] ঃ *বুৰঞ্জীৰ সঁফুৰা, বেণুধৰ শর্মা ৰচনাৱলী*; (দ্বিতীয় খণ্ড), বেণুধৰ শর্মা স্মাৰক ন্যাসৰ হৈ অজিত কুমাৰ শর্মা।

9] শর্মা, যজ্ঞেশ্বৰ (সম্পা.) [1987] ঃ *চন্দন চ'ৰা, বেণুধৰ শর্মা ৰচনাৱলী*; (তৃতীয় খণ্ড), বেণুধৰ শর্মা স্মাৰক ন্যাসৰ হৈ অজিত কুমাৰ শর্মা।

10] শর্মা, যজ্ঞেশ্বৰ (সম্পা.) [1987] ঃ *মজিয়াৰ পৰা মেজলৈ, বেণুধৰ শর্মা ৰচনাৱলী*; কলিয়াবৰ ঃ কল্পতৰু সমবায় গ্রন্থালয়ৰ হৈ প্রকাশ চন্দ্র বৰদলৈ।



১১.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ বেণুধৰ শর্মাৰ জীৱনৰ ঘটনাৰ আভাস দিব... ...তেওঁৰ স্বদেশপ্রেম, অসাধাৰণ বুৰঞ্জীপ্রীতি, অসম বুৰঞ্জীৰ হেৰাই যোৱা ঘটনাৰ অন্বেষণ, অনবৰতে মনত লৈ ফৰা অনুসন্ধিৎসু স্বভাৱ, বুৰঞ্জীৰ তথ্য সংগ্রহৰ বাবে গোটেই অসমৰ ইমূৰ-সিমূৰ ঘূৰি কষ্ট কৰি ফুৰা কথাসমূহ লিখিব।

২নং প্রশ্নৰ উত্তৰ ঃ মণিৰাম দেৱানৰ স্বদেশপ্রেম আৰু দেশ উদ্ধাৰৰ বাবে গোপনে কৰা পৰিকল্পনাৰ উল্লেখ... ...ফাঁচীৰ ৰায় শুনাৰ পিছতো অলপো বিচলিত নোহোৱা সৌম্য, শান্ত, গম্ভীৰ ব্যক্তিত্ব, ...ভগৱানত সমর্পণ কৰি মৃত্যুক সাধাৰণ ঘটনা হিচাপে গ্রহণ... ...দায়িত্বশীল ব্যক্তি হিচাপে পুতেকক কোৱা কথাসমূহৰ উল্লেখ... ...মেহুৰা-লুদু ৰীহঁতৰ কথাৰ পৰা দেৱানৰ উদাৰ, দায়িত্বশীল চৰিত্রৰ প্রমাণ... ...ৰূপৰ ধোঁৱাখোৱাই আভিজাত্যৰ ইঙ্গিত দিয়ে... ...ফাঁচীৰ আগমুহূর্তত ৰাইজক উদ্দেশ্যি কোৱা কথাসমূহৰ উল্লেখ। ইয়াৰ জৰিয়তে সংযমী আৰু বিনয়ী স্বভাৱৰ প্রকাশ ।

৩নং প্রশ্নৰ উত্তৰ ঃ মণিৰাম দেৱানক অপৰাধী সজাই বন্দী কৰা আৰু যোৰহাটলৈ পঠিওৱাৰ উল্লেখ... ...বিচাৰৰ নামত বৃটিছ চাহাবে কৰা ভেকোভাওনাৰ উল্লেখ... ...ফাঁচীশালৰ প্রস্তুতিৰ বর্ণনা....।

৪নং প্রশ্নৰ উত্তৰ ঃ বেণুধৰ শর্মাৰ গদ্য নিভাজ জতুৱা। তেওঁৰ গদ্যত থকা ভালেমান শব্দ আজি লুপ্তপ্রায়। শর্মাৰ গদ্যৰ শব্দ, বাক্য আদিৰ জতুৱা ৰূপৰ আলোচনা... ...বুৰঞ্জীৰ বিষয়কো সাহিত্যৰ দৰে পঢ়ি ভাললগা কৰিবপৰা আকর্ষণীয় ভঙ্গী তেওঁ প্রয়োগ কৰে। এই ক্ষেত্রত শর্মাৰ গদ্য অসমীয়া সাহিত্যত একক।

৫নং প্রশ্নৰ উত্তৰ ঃ বেণুধৰ শর্মাৰ গদ্যৰ শব্দ, বাক্য, প্রকাশভঙ্গী আদি সকলোবোৰ দিশৰ বিশদ আলোচনা কৰিব লাগিব।

৬নং প্রশ্নৰ উত্তৰ ঃ বেণুধৰ শর্মাৰ গদ্যৰ শব্দসম্ভাৰযে বৈচিত্রপূর্ণ সেয়া আলোচনা কৰি বিভিন্ন শ্রেণীৰ শব্দৰ উদাহৰণ উল্লেখ কৰিব লাগিব... ...অসমীয়া জতুৱা শব্দ প্রয়োগহে তেওঁৰ গদ্যৰ আকর্শণীয় দিশ সেই কথাৰ আলোচনা আৰু উদাহৰণ উল্লেখ... ...তেওঁ নিজে সজা শব্দসমূহৰ উল্লেখ।



১১.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ বেণুধৰ শর্মাৰ জীৱন আৰু ব্যক্তিত্বৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ২ ঃ বেণুধৰ শর্মাৰ সাহিত্যৰ প্রকৃতি কেনেধৰণৰ? তেওঁৰ সাহিত্য-সম্ভাৰৰ বিষয়ে এটা প্রবন্ধ লিখক।

প্রশ্ন ৩ ঃ বেণুধৰ শর্মাক বুৰঞ্জীবিদ আখ্যা দিব পাৰিনে? বিশ্লেষণ কৰি দেখুৱাওক।

প্রশ্ন ৪ ঃ "বেণুধৰ শর্মাৰ ৰচনাই অসমীয়া সাহিত্যৰ বুৰঞ্জীত একক বৈশিষ্ট্যসূচক এক সুকীয়া গদ্য প্রতিষ্ঠা কৰিলে।"—কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰি শর্মাৰ গদ্যৰ স্বকীয় বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্রশ্ন ৫ ঃ 'মণিৰাম দেৱানৰ ফাঁচী' পাঠটোৰ কথাখিনি চমুকৈ নিজৰ ভাষাত লিখক। ফাঁচীৰ বাবে বৃটিছ শাসকে কেনে ধৰণৰ প্রস্তুতি চলাইছিল?

প্রশ্ন ৫ ঃ 'মণিৰাম দেৱানৰ ফাঁচী' পাঠৰ আধাৰত ফাঁচীশালৰ এটা বিৱৰণ দিয়ক।

প্রশ্ন ৬ ঃ মণিৰামক কি অপৰাধত ফাঁচী দিয়া হ'ল? তেওঁৰ সৈতে আৰু কোন ব্যক্তিক ফাঁচী দিয়া হৈছিল?

প্রশ্ন ৭ ঃ মণিৰাম দেৱানৰ মৃত্যুৰ পিছত অসমত কি কি ঘটনা ঘটিবলৈ ল'লে চমুকৈ লিখক।

প্রশ্ন ৮ ঃ ফাঁচীৰ আগদিনা দেৱানে পুতেকক কি কি কথা কৈছিল লিখক।

প্রশ্ন ৯ ঃ জীৱনৰ শেষ মুহূর্তত মণিৰাম দেৱানে অসমৰ ৰাইজক উদ্দেশ্য কৰি কোৱা কথাখিনি উল্লেখ কৰক।

প্রশ্ন ১০ ঃ মণিৰাম-পিয়ালীক ক'ত ফাঁচী দিয়া হৈছিল?

*** ***** ***